চান্দমামা

ছেপ্‌টেম্‌বাব ১৯৮৫



যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইদ সোণকণ।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। ময়ো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
"ও ঠিকেইতো! বাৰু মা, অলপ চকোলেট কেক খাওনে? শোৱাৰ আগতে আকৌ ব্ৰাছ কৰিম! হবনে মা?"
ফৰহেন্স ফ্লোৰাইদ
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে
FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

331 F 183 ASM

চান্দমামা

ছেটেম্বাৰ ১৯৮৫

এই সংখ্যাত আছে

*

স্বৰ্গ-নৰক	:	৭	আমাৰ নদ-নদী	:	৩৫
কাঁহৰ কিল্লা	:	১১	প্ৰকৃত চিকিৎসক	:	৩৯
সৎ আৰু শাপ	:	১৯	ধৰ্মৰ কথা	:	৪৩
দুগুণ লাভ	:	২৫	খঁৰা-ধুন	:	৪৮
ৰজা হোৱাৰ মজা	:	২৭	শিৰ-পুৰাণ	:	৫১
সোণৰ ময়ুৰ	:	৩৩	কপালৰ আঁক	:	৫৯

*

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, পশু-পক্ষীৰ কথা ইত্যাদি।

everest/85/PP/334

চান্দমামা

সংস্থাপক : চক্রপাণি
সঞ্চালক : বি নাগিৰেড্ডি

'চান্দমামা'ৰ দহ বছৰ পূৰ্ণ হ'বলৈ আৰু বৰ বেছি দিন নাই। যোৱা প্ৰায় দহ বছৰ ধৰি বিভিন্ন ধৰণৰ ত্ৰুটি-বিচ্যুতি থকা সত্বেও পাঠক-পাঠিকাসকলৰপৰা 'চান্দমামা'ই যি মৰম-চেনেহ তথা আদৰ পাই আহিছে, সেই কথা বৰ্তমান কাৰ্য্যবাহকে জীৱন-কাললৈ সুঁৱৰিব। দহবছৰ পূৰ্ণ হোৱাৰ অন্তত চ'ৰাত কোনে চাকি জ্বলাবহি, সেই কথা এতিয়াই কোৱা টান ; কিন্তু 'চান্দমামা'ই আজিৰ বা অতীতৰ দৰেই, অনাগত দিনতো পৰম মৰমৰে পোহৰ বিলাই থাকিব।

অমৰ-বাণী

বিদ্যাবিনয় সম্পন্নে বিদ্যাহীনে জড়ে যতি।
স্বজন পৰকীয়ে চ পণ্ডিতাঃ সমদৰ্শিনঃ॥

[যিজন বিদ্বান তথা বিনম্ৰ তেওঁ এইবোৰ গুণ নথকা মানুহক, বিদ্যাহীনক, আপোনজনক আৰু আনকো সমদৃষ্টিৰে দেখে।]

বছৰ : ১০ ছেপটেমবাৰ ১৯৮৫ সংখ্যা : ৬

খনে : ২'০০ টকা : বছৰেকীয়া বৰঙণি : ২৪'০০ টকা

চান্দমামাৰ খুতুৰাখবৰ

আমাৰ দেশৰ প্ৰথম মুদ্ৰা

খ্ৰিষ্টীয় তৃতীয় শতিকাত আমাৰ দেশত সৰ্বপ্ৰথমে মুদ্ৰাৰ প্ৰচলন হৈছিল। অধ্যাপক ইৰফান হবীবে এই মত প্ৰকাশ কৰিছে। সেই মুদ্ৰাবিলাক আছিল ৰৌপ্যমুদ্ৰা।

আন এক ৰেকৰ্ড

উন্নত মানদণ্ডৰ বোলছবিক পুৰস্কৃত কৰিবলৈ পৃথিৱীব্যাপী বহু সন্থা আছে। কিন্তু নিকৃষ্টতম বোলছবিক পুৰস্কৃত কৰিবলৈ নিউজ এজেন্সীৰ এক কমিটি সত্বহতে গঢ়ি উঠাৰ ৰাতৰি পোৱা হৈছে।



ফিল্ম বিনে এক্সৰে

এই পদ্ধতি অনুসাৰে কেইমুহূৰ্ততে টেলিভিজনৰ পৰ্দাত ছবি ওলাব, যাৰ ফলত অতি দ্ৰুত ৰোগনিৰ্ণয় সম্ভৱ হৈ উঠিব। এই পদ্ধতিৰ আৱিষ্কৰ্তা হ'ল জাপান।

জানিবলগীয়া

১। হৰ্ষবৰ্ধনৰ ৰাজত্বকালত আমাৰ দেশলৈ অহা চৈনিক পৰিব্ৰাজকজনৰ নাম কি

২। দ্বিতীয় পুলকেশী কোন বংশজাত?

৩। কুতবমিনাৰৰ ওখ মিনাৰ সজাৰ পৰিকল্পনা কৰাৰ পাছত সেই পৰিকল্পনা কাৰ্যকৰী নৌহওঁতেই কোন গৰাকী ছুলতানৰ মৃত্যু হৈছিল?

৪। আকবৰ বাদছাহ সিংহাসনত অধিষ্ঠিত হওঁতে তেওঁৰ বয়স কিমান আছিল?

৫। ছত্ৰপতি শিৱাজীৰ পিতৃদেৱৰ নাম কি

[উত্তৰ : ৬৪নং পৃষ্ঠাত]

স্বৰ্গ-নৰক

এদিন আকাশপথেদি গৈ থাকোঁতে এজন মানুহক সোঁশৰীৰে স্বৰ্গলৈ লৈ যোৱা দেখা পাই নাৰদে দেৱতাসকলক সুধিলেগৈ, "এই মানুহজন কোন? এওঁক স্বৰ্গলৈ লৈ যোৱাৰ হেতুনো কি?"

"এওঁৰ নাম শৰভ। জীয়াই থাকোঁতে সদায় পাপ কাম কৰিছিল। পিছে— এওঁক যে কিয় স্বৰ্গত ঠাই দিয়া হ'ল আমি ক'ব নোৱাৰিম।" দেৱতাসকলে ক'লে।

দেৱতাসকলৰ কথা শুনি নাৰদে আচৰিত মানিলে। তেওঁ ভাবিলে: যদি সদাই পাপেই কৰিছিল, স্বৰ্গলৈ যোৱাৰ অনুমতি কেনেকৈ পোৱা হ'ল? তেতিয়া নাৰদমুনি গ'ল ধৰ্মৰাজ যমৰ ওচৰলৈ।

নাৰদৰ প্ৰশ্নৰ উত্তৰত ধৰ্মৰাজ যমে ক'লে, "শৰভ মানুহজন আছিল অতি দুখীয়া। কিন্তু সি গোটেই জীৱনকাল কেৱল পাপহে কৰিছিল। তাৰ ফলত সি নৰকলৈহে যাব লাগিছিল। পিছে— এবাৰ তাতোকৈ দুখীয়া এজন মানুহে তাৰপৰা সহায় খোজাত শৰভে মানুহজনক কৈছিল যে তাৰ ওচৰত টকা থকাহেঁতেন সি আটাইখিনি টকা তাক দিলেহেঁতেন। তাৰ ফলত অৰ্থাৎ এই কথা কোৱাৰ ফলত শৰভৰ সমগ্ৰ জীৱনৰ পাপ তৎক্ষণাৎ আধাখিনি নোহোৱা হ'ল। তাৰ পাছত সি নৰক ভুঞ্জি এতিয়া স্বৰ্গলৈ গ'ল।

"কিন্তু এই কথাত কিবা গণ্ডগোল আছে যেন পাওঁ।" নাৰদে ক'লে।

"গণ্ডগোল? কিহৰ গণ্ডগোল?" ধৰ্মৰাজ যমে অবাক হৈ সুধিলে।

"নিশ্চয় আছে কিবা গণ্ডগোল।

নীলপৱন দুৱৰা

শৰভে দুখীয়া মানুহজনক সহায় কৰিব বুলি কৈছিলহে মাথোন, সহায় কৰা নাছিল। কেৱল মুখেৰে কৈ দিলেই হৈ যাবনে? তাৰ ওচৰত টকা-সিকা একো নাছিল—এই কথা ৰিশ্বাস কৰা টান। দুখীয়া মানুহজনৰ কথা সি শুনিলে, সহানুভূতি প্ৰকাশ কৰিলে, অথচ একোৰেই নিদিয়া হ'ল। আচলতে সি সহায় কৰিব খোজা নাছিল। শৰভক পৰীক্ষা কৰি চোৱা উচিত আছিল।" নাৰদে যমৰজাক ক'লে।

নাৰদৰ কথা শুনি ধৰ্মৰাজ যমে তৎক্ষণাৎ কিংকৰহঁতক অৰ্থাৎ তেওঁৰ টেকেলাহঁতক পঠালে শৰভক স্বৰ্গলৈ নৌসোমাওঁতেই তাৰপৰা ধৰি আনিবলৈ।

তাৰ পাছত ধৰ্মৰাজ যমে নাৰদৰ পৰামৰ্শ অনুসাৰে শৰভক কৃষকৰূপে পুনৰ পৃথিৱীলৈ পঠিয়ালে আৰু লগতে কেই হালিচামান মাটিৰ গৰাকীও কৰি দিলে। চাওঁতে চাওঁতে খেতিয়ক শৰভৰ আ-অৱস্থা বেছ টনকিয়াল হৈ উঠিল।

এদিন এজন বিপদগ্ৰস্ত মানুহ শৰভৰ কাষ চাপিল সহায় বিচাৰি। শৰভে ৰিপদগ্ৰস্ত মানুহজনৰ কথা সহানুভূতিৰে শুনিলে আৰু তাৰ পিনে পুতৌসনা দৃষ্টিৰে চাই ক'লে, "চোৱাঁ ভাই, মই সামান্য হালোৱা এটা। মোৰ উপাৰ্জনেৰে মোৰ সংসাৰখন কথমপি চলে। মোৰ অৱস্থা আৰু অলপ ভাল হোৱাহেঁতেন তোমাক মই সহায় কৰিব পাৰিলোহেঁতেন।

নাৰদে তেতিয়া ধৰ্মৰাজ যমক ক'লে, "শুনিলেনে শৰভৰ কথা? সি ইমান ভাল অৱস্থাতে থকা সত্বেও এই দুখীয়া মানুহজনক কি ক'লে শুনিলেনে?"

ধৰ্মৰাজ যমে খঙতে কৈ উঠিল, "ঠিক আছে, তাক মই এতিয়াই লৈ আহিম আৰু জুইৰে দৰে তপত তেলৰ কেৰাহীত পেলাম।"

"ওহোঁ—" নাৰদে ক'লে, "আৰু



কিছুদিনলৈ বাট চাওক। যদিহে তাৰ কিবা চাহিদা আছে, পূৰণ কৰক। তাৰ মাজত কিবা পৰিৱৰ্তন হয়নে নহয় লক্ষ্য কৰক। তাৰ পাছত যি কৰে কৰিব।"

তাৰ পাছত শৰভৰ অৱস্থা—যাক বোলে—জয়জয় ময় ময় হৈ উঠিল। চাৰি বছৰৰ অন্তত শৰভে এটা ডাঙৰ পকীঘৰ সাজিলে। আৰু এদিন এজন বৰ দুখীয়া মানুহ শৰভৰ কাষ চাপিল সহায় বিচাৰি।

শৰভে যথাৰীতি দুখীয়া মানুহজনৰ বক্তব্য শুনিলে আৰু তাৰ পাছত তাক অসহায়ভাৱে ক'লে, "ভাই, তোমাৰ দুখৰ কথা শুনি মোৰো বুকু হমহমাইছে। পিছে—মই যে কেনে অথন্তৰত পৰিছোঁ, তোমাক কি ক'ম। মোৰ নিচিনা বাটৰ ভিকহুৱে ঘৰ সজা একেবাৰেই উচিত নহয়—এতিয়াহে হাড়ে-হিমজুৱে বুজি পাইছোঁ। এতিয়া মই নিজেই এজন ঋণগ্ৰস্ত মানুহ, তোমাকনো কেনেকৈ সহায় কৰিম?" এইবোৰ কথা কৈ শৰভে তাক বিদায় দিলে।

এই বছৰতে শৰভে ইমান শস্য পোৱা হ'ল যে, সেই শস্য বেচি সি আন কাৰবাৰতো ধৰিলে। এইবাৰ সি আন এটা দুমহলীয়া পকীঘৰ সাজিলে।

তাৰ পাছত, কিছুদিনৰ অন্তত, শৰভৰ ওচৰত সহায় বিচাৰি আন এজন মানুহ আহিল, আৰু শৰভে তাৰ অভ্যাস মতে তাকো ক'লে, "চোৱাঁ ভাই, তোমাৰ দুখৰ কথা শুনি মোৰো কলিজা ফাটিছে। পিছে—এই ঘৰটো বনাওঁতে মই মোৰ আত্মীয়-স্বজন বন্ধু-বান্ধৱ চিনাকি-অচিনাকি সকলোটিৰেপৰাই ইমান টকা ধাৰ কৰিলোঁ যে তেওঁলোকৰ ধাৰ জীৱনতো মাৰিব পাৰিমনে নোৱাৰিম সেই কথা ভাবি মোৰ মূৰেদি ধনঞ্জয় বায়ু উৰিছে। গতিকে—বুজিছাই—।" ইত্যাদি।

সেই বছৰতে শৰভে কাৰবাৰত ইমানেই

লাভ কৰিলে যে সি একেলগে চাৰিখন জাহাজ কিনি পেলালে আৰু কিছুদিনৰ অন্তত শৰভ এজন কৌটিপতি হৈ উঠিল। শৰভ হৈ উঠিল দেশৰ অন্যতম বিৰাট এগৰাকী ধনী মানুহ।

শৰভ যেতিয়া কৌটিপতি হ'ল, তেতিয়া এজন সাহায্যপ্ৰাৰ্থীক ক'লে, "এস্! মোৰ যে একদম সময় নাই। কালিলৈ আহাঁ যদি—তোমাৰ কথা শুনিম।"

পাছদিনা মানুহজনক দেখা মাত্ৰেই শৰভে আমনি পাই জ্বলি-পকি কৈ উঠিল, "তুমি কোন? কি লাগে তোমাক?"

দুখীয়া মানুহজনে ক'লে, "আপুনি আহিবলৈ কৈছিল বুলিহে মই—"

"কিন্তু মোৰ একদম সময় নাই। তুমি তিনিমাহৰ পাছত আহিবা। এতিয়া মই বিদেশলৈ যাম। তাৰপৰা উভতি অহাৰ পাছত তোমাৰ কথা শুনিম, আৰু তোমাক সহায়ো কৰিম।" শৰভে ক'লে।

দুখীয়া মানুহজন আহিছিল, তিনি-মাহৰ অন্তত পুনৰ আহিছিল; কিন্তু শৰভৰ দুৱৰীয়ে মানুহজনক শৰভৰ কাষ চাপিবলৈ নিদিলে। বাধ্য পৰি মানুহজন পাছদিনা চলপুৱাতে পুনৰ আহিল। বহুতোপৰলৈকে তাত ৰৈ থকাৰ পাছত শৰভ ঘৰৰপৰা ওলাল দেহৰক্ষী পৰিবৃত হৈ। দেহৰক্ষীহঁতে দুখীয়া মানুহজনক শৰভৰ কাষ চাপিবলৈ নিলে। শৰভ এখন গাড়ীত উঠি হুৰুস্‌কৰে গুচি গ'ল। দুখীয়া মানুহজনক দেখা পায়ো শৰভে ঘূৰিও নোচোৱা হ'ল।

"আৰু পৰীক্ষা ল'ব নালাগে, এইবাৰ তাক চিধ্‌ধাই নৰকলৈ পঠাই দিয়া।" নাৰদে ধৰ্মৰাজ যমক ক'লে।

ধৰ্মৰাজে তৎক্ষণাৎ শৰভক আনিবলৈ তেওঁৰ টেকেলা কিংকৰহঁতক পঠিয়ালে আৰু লৈ অহাৰ পাছত নৰকৰ অন্ধকাৰত নিগাজীকৈ থকাৰ বন্দবস্ত কৰিলে।



৯

কাপালিনীৰপৰা বিদায় লৈ ৰাজকোঁৱৰ চন্দ্ৰবৰ্মাই পোনে পোনেই উত্তৰ দিশলৈ গৈ থাকিল তিনিমূৰীয়া সৰ্পৰ পিছে পিছে। অৰণ্যৰ এজোপা গছৰ ফল খাই তেওঁ পশু-পক্ষীহঁতৰ মাত-বোল বুজিব পৰা হ'ল। তাৰ পাছত এক প্ৰবহমান নদীৰ ওপৰত ইপাৰ-সিপাৰ জুৰি পৰি থকা বিৰাট সাপ এডালৰ ওপৰেদি দৌৰি নৈৰ সিপাৰলৈ গৈ থাকিল ৰাজকোঁৱৰ চন্দ্ৰবৰ্মাই। তাৰ পাছত……

দলংৰূপী সাপটোৰ পিঠিৰ ওপৰেদি দৌৰি দৌৰি গৈ থাকোঁতে হঠাৎ যুৱৰাজ চন্দ্ৰবৰ্মাই গাত জুই লগা যেন পালে। কিন্তু তেওঁ তৎক্ষণাৎ বুজি পালে যে এয়া জুই নহয়, জুইহেন উত্তপ্ত পানীহে! এইনৈ খনৰ পানী যে জুইৰ দৰে উত্তপ্ত, সেই কথা বুজি পাই তেওঁ অধিক বেগতে দৌৰি গৈ থাকিল। তেওঁ মনতে ভাবিলে: এই জুইহেন পানীৰ ওপৰেদিয়েই যেনেকৈয়েই নহওক সিপাৰ পাবগৈ

লাগিবই। এই কথা ভবাৰ লগে লগেই তেওঁ তেওঁৰ হেৰোৱা সাহস পুনৰ ঘূৰাই পোৱা হ'ল।

তেওঁৰ দৃষ্টি নিবদ্ধ আছিল তেওঁৰ আগে আগে জঁাপ মাৰি মাৰি তীব্ৰ গতিৰে গৈ থকা বান্দৰবিলাকৰ ওপৰত। হঠাৎ বান্দৰবিলাকে ডাঙৰকৈ জঁাপ মাৰি দিয়াত চন্দ্ৰবৰ্মায়ো বিৰাট জঁাপ এটা মাৰিলে আৰু লগে লগে তেওঁ সেই বিৰাট সাপটোৰ পিঠিৰপৰা বিৰাট এক জঁাপ মাৰি মাটিত পৰিলহি।

* * *

অতি দ্ৰুতগতিৰে তেওঁ বহু দূৰলৈকে অগুৱাই গৈ হঠাৎ ৰৈ দিলে। চন্দ্ৰবৰ্মাই সেই বিশাল দীঘল সাপটোলৈ চালে। তেতিয়ালৈকো সাপটোৱে তাৰ সমগ্ৰ দেহ ইপাৰলৈ আনিব নোৱাৰিছিল। চন্দ্ৰবৰ্মাই লক্ষ্য কৰিলে যে কমেও দহ বাৰ হাত ব্যাস বিশিষ্ট কিচকিচকৰে ক'লামূৰীয়া সাপটোৰ চকুৰেদি যেনিবা জুই-ফিৰিঙতিহে ছিটিকি ওলাইছিল।

সাপটোৱে যদি তেওঁক দেখা পায় তেতিয়া কেনে ভয়ানক কথা হ'ব—এই কথা ভাবি চন্দ্ৰবৰ্মাৰ সমস্ত শৰীৰ কঁপি উঠিল। কিন্তু সাপটোৱে চন্দ্ৰবৰ্মালৈ ঘূৰিও নাচালে।

অলপ পাছত সাপটোৰ এই বিৰাট মূৰটো এজোপা বিৰাট গছৰ আঁৰত নোহোৱা হ'ল। চন্দ্ৰবৰ্মাই গছৰ ফাঁকেদি প্ৰকাণ্ড সাপটোৰ দেহলৈ একেথিৰে চাই ৰ'ল। এই সাপটোৱে যদিহে কেনেবাকৈ তেওঁক আক্ৰমণ কৰেহি, তেনেহ'লে তৰোৱালেৰে ঘপিয়ালেও তাৰ বোধকৰোঁ একোৱেই নহ'ব। তৰোৱালেৰে ঘপিয়ালে কিজানি পৰুৱাই কামোৰা যেনহে তাৰ লাগিব।

সাপটোৱে যে চন্দ্ৰবৰ্মাক আক্ৰমণ নকৰিবই তাৰ মানে নাই। চন্দ্ৰবৰ্মাই ভাবিলে: গতিকে ই মোক আক্ৰমণ

কৰাৰ আগতেই মই ইয়াক মাৰি নেপেলাওঁ কিয় ?

এইবোৰ সাত-পাঁচ নানান কথা ভাবি, তেওঁ এখোজ-দুখোজকৈ লাহে লাহে সাপটোৰ কাষ চাপিগৈ সাপটোক তৰোৱালেৰে খুচি দিলে।

লগে লগে হঠাৎ টংকৈ শব্দ এটা উঠিল ; কিন্তু তৰোৱাল সাপটোৰ গাত নোসোমাল। সাপটোৱে তৰোৱালৰ কথা বিন্দুমাত্র গম পালেনে নাই তাকো বুজা নগ'ল ; একেবাৰেই।



*   *   *

চন্দ্রবর্মাই নিজক বৰ অসহায় বোধ কৰিলে। তেওঁ বিহ্বল-বিভ্রান্ত মানুহ এজনৰ দৰে চাৰিওফালে অসহায় দৃষ্টি মেলি চাবলৈ ধৰিলে।

বহু দূৰত সৌৱা এজোপা গছ। গছজোপা ফলেৰে দোঁ খাই পৰিছে। ইমানবোৰ সুপক্ক ফল দেখি তেওঁৰ ভোক লাগি গ'ল। গছজোপা আম। তেওঁ গছত উঠিলগৈ। এটা আম ছিঙি লৈ একামোৰ দিয়াৰ লগে লগে তেওঁ হাতীৰ গগনফলা এক আৰ্তনাদ শুনি চঁক খাই উঠিল।

গছৰ আৰু অলপ ওপৰলৈ উঠি চন্দ্রবর্মাই চাৰিওফালে চালে। তেওঁ বহু দূৰত অসংখ্য গছৰ ডাল ভাগি পৰা দেখা পালে, আৰু হাতীৰ তীব্র আৰ্তনাদো শুনিলে। কিন্তু এটা হাতীও তেওঁৰ চকুত নপৰিল। তেওঁ ডিঙি মেলি অপলক দৃষ্টিৰে গছৰ ডাল ভাগি পৰালৈ চাই থাকিল।

*   *   *

কিন্তু তাৰ পাছত তেওঁ যি-দৃশ্য দেখা পালে, সেই দৃশ্যই তেওঁৰ হাত-ভৰি অৱশ কৰি পেলালে।

তেওঁ দেখা পালে—উত্তপ্ত নৈ পাৰ হৈ অহা সাপটোৱে এটা প্ৰকাণ্ড হাতীক মেৰিয়াই ধৰিছে! হাতীটোৱে বিপদ

গমি সজোৰে আৰ্তনাদ কৰি আছে আৰু ভয়াবহ সাপটোৱে তাৰ বিৰাট মুখ মেলি হাতীটোৰ মুগুটো গিলি খাবলৈ প্ৰাণপণে চেষ্টা চলাইছে! বিপদগ্ৰস্ত হাতীটোৰ আৰ্তনাদ শুনি অসংখ্য হাতী তাৰ আশে-কাষে গোট খাইছেহি; কিন্তু সিহঁতৰ মাজত এটায়ো সাপটোক আক্ৰমণ কৰিব পৰা নাই। হাতীবিলাকৰ লৰা-ধপৰাৰ ফলত গছ আৰু গছৰ ডালবিলাক ভাগি ভাগি পৰিছে। কিন্তু এইবোৰলৈ সাপটোৰ ভ্ৰূক্ষেপো নাই!

সেই বিশাল-বিৰাট সাপটোৱে হাতীটোক দৃঢ়ভাৱে মুচৰি-সামৰি তাৰ পেটত ভৰাবলৈ চেষ্টা কৰিছে, আৰু হাতীটোৱে সাপটোৰ কবলৰপৰা নিজক মুক্ত কৰিবলৈ প্ৰাণটাকি চেষ্টা কৰিও তাৰ কবলৰপৰা একোপধ্যে মুক্ত হ'ব পৰা নাই।

এই দৃশ্য দেখি চন্দ্ৰবৰ্মাই বিহ্বল হৈ ভাবিলেঃ হে ঈশ্বৰ, মই যে এতিয়া কেনে ভয়ংকৰ জগতত আছোঁ, বুজি পোৱা নাই। এই অৱস্থাত তুমিহে একমাত্ৰ সহায়। —এই ঠাইতকৈ কাপালিনী থকা ঠাই যে হেজাৰগুণে ভাল সেই কথা চন্দ্ৰবৰ্মাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে। কিন্তু—এতিয়া তো পিছ হোঁহকাৰ পথো নাই। আগুৱালেও বিপদ, আৰু পিছুৱাই গ'লেও বিপদেই।

এতিয়া কোনোবা দেৱতা, বা কিবা অলৌকিক শক্তিয়ে সহায় নকৰিলে তেওঁ তান্ত্রিক শংখৰ সা-সন্ধান পাব কেনেকৈ?

এতিয়া তেওঁ কোন পিনে যাব?

কোন ফাললৈ আগবাঢ়িব তেওঁ?

বহু ভাবিও এই সমস্যাৰ সমাধান বিচাৰি নাপালে তেওঁ।

* * *

লাহে লাহে তেওঁৰ দেহ-মন অৱশ হৈ আহিল আৰু তেওঁ গভীৰ টোপনিত আচ্ছন্ন হৈ পৰিল। তেওঁৰ টোপনি টুটিল যেতিয়া, তেতিয়া এই মহাৰণ্য গভীৰ অন্ধকাৰেৰে আচ্ছন্ন হৈ পৰিছে। আকাশৰ বুকুত জোন নাছিল, আছিল কিছুমান তিৰবিৰাই থকা তৰা।

* * *

হঠাৎ মাজনিশা পুনৰ হাতীৰ আৰ্তনাদ বিকটভাৱে শুনা গ'ল। লগে লগে তেওঁ ধুপুচ্‌কৈ সশৰদে তললৈ পৰি গ'ল। কিন্তু মাটিৰ ওপৰত পৰা বাবে আঘাত বৰ বেছি নালাগিল।

হঠাৎ তেওঁৰ কাণত পৰিল কাৰোবাৰ কণ্ঠস্বৰ। নহয়, মানুহ নহয়। চৰাইৰ। এটা চৰায়ে আন এটা চৰাইক কৈছে, "আজি ইয়াতে থাকিম।নৈৰ তপত বতাহ বেছ বঢ়িয়া। তই কেনে পাইছ ক'চোন?"

আন চৰাইটোৱে ইটো চৰাইক ক'লে, "ওঁ ঠিকেই কৈছ, এই তপত বতাহ

দেহাৰ পক্ষে সঁচাকৈয়েই বঢ়িয়া।”

সিহঁতৰ মাত-বোল শুনি চন্দ্ৰবৰ্মাই স্বপ্নৰাজ্যত শুই থকা যেন পালে। দুটা বিৰাট আকাৰৰ চৰাই অদূৰতে এজোপা গছৰ ডালত বহি থকা দেখা পালে চন্দ্ৰবৰ্মাই। ইমান বিৰাট চৰাই তেওঁ জীৱনতো দেখা নাছিল। তেওঁ ভাবিলে ঃ এনেবোৰ ভয়ংকৰ চৰাইৰ দৃষ্টিত নপৰাই ভাল। ইয়াৰপৰা মনে মনে গুচি যোৱাহে ভাল হ'ব।

চন্দ্ৰবৰ্মাই সেই ঠাই এৰি গুচি যাবলৈ ধৰোঁতেই আকাশৰ বুকুত জুই জ্বলি উঠিল। সেই সুউজ্জ্বল পোহৰ দেখি হতবাক হৈ চন্দ্ৰবৰ্মাই আকাশলৈ চালে। তেওঁ বিস্ফাৰিত চকু মেলি দেখিলে —আকাশত অন্ধকাৰৰ বুকু ফালি ফালি এটা বিৰাট আকাৰৰ চৰাই উৰি আছে আৰু এই চৰাইটোৰ গাৰপৰা যেনিবা জুই হে ওলাইছে!

হঠাৎ চন্দ্ৰবৰ্মাৰ মনত পৰিল। কাপালিনীৰ কথা। কাপালিনীয়ে 'অগ্নি-পক্ষী'ৰ কথা কৈছিল তেওঁক। এই অগ্নিপক্ষী হ'ল তান্ত্ৰিক শংখৰ শিষ্য, আৰু শংখতান্ত্ৰিকৰপৰা শংখ লৈ অহাৰ বাটত এই অগ্নিপক্ষীয়ে যে প্ৰচণ্ড বাধাৰ সৃষ্টি কৰিব—সেই কথাটোও তেওঁক পৰিষ্কাৰকৈ বুজাই কৈছিল কাপালিনীয়ে। এই কেইদিন চন্দ্ৰবৰ্মাই অগ্নিপক্ষীৰ কথা সমূলি পাহৰি আছিল, এতিয়াহে মনত পৰিল।

অগ্নিপক্ষী আকাশৰপৰা নামি আহিল, আৰু তেতিয়া সেই চৰাই দুটাই অগ্নিপক্ষীক ক'লেহি, “আমি তোমাৰ বাট চাইহে ইয়াত ইমান সময় ধৰি ৰৈ আছোঁ। তুমি আহোঁতে ইমান পলম কৰিলা কেলেই কোৱাচোন?”

“শুনা, বৰ জৰুলী কথা আছে।” এখন্তেক ৰৈ, অগ্নিপক্ষীয়ে সেই চৰাই দুটাৰ কাষ চাপি আহি ক'লে, “শংখ-তান্ত্ৰিকদেউয়ে মোক এটা বিশেষ কাম

কৰিবলৈ দিছে। কামটো বৰ টান নহয়। এগৰাকী বুঢ়ীক তাইৰ ঘৰৰপৰা ধৰি লৈ আহিব লাগিব। এই বুঢ়ীগৰাকীও এগৰাকী তান্ত্ৰিকেই।

"পিছে মই যে দিনৰ ভাগত চকুৰে মণিব নোৱাৰোঁ, জানাই। এতিয়া, ৰাতিৰ পৰতে মোৰ গাৰপৰা পোহৰ ওলায়। গতিকে—এনে সহজ কামটোও মোৰ পক্ষে কৰাটো টানেই হৈ উঠিছে। কিয়নো, দিনৰ বেলিকা মই নোৱাৰিম, ৰাতিৰ পৰতে বুঢ়ীয়ে আগতীয়াকৈ গম পাই যাব। তোমালোকে এটা কাম কৰিলেও হ'ব—বুঢ়ীৰ নাকৰপৰা এডুখৰি মঙহ ওঁঠেৰে কাটি লৈ আহিলেও হৈ যাব। এই কামটি কৰি দিব পাৰা যদি—মোৰ গুৰু শংখতান্ত্ৰিকদেউ আৰু মই তোমালোকৰ ওচৰত চিৰজীৱনলৈ যাক বোলে ধৰুৱা হৈ থাকিম।"

চৰাই দুটাই অগ্নিপক্ষীক ক'লে যে সিহঁত আজি বৰ ক্লান্ত, গতিকে কালিলৈ যাব বুঢ়ীৰ তালৈ।

সিহঁতৰ কথাত ভাল পাই অগ্নিপক্ষীয়ে সিহঁত দুটাক ক'লে, "এটা কথা সদায় মনত ৰাখিবা, দিনৰ বেলিকা এই তান্ত্ৰিক বুঢ়ীক ধৰি লৈ অহাটো তেনেই টান কাম। তায়ো অতি ধূৰ্ত, আৰু তাই বহুত খেল খেলিব পাৰে। তাই ঢেৰ মন্ত্ৰ জানে, আৰু তাই যিকোনো প্ৰাণীক মুহূৰ্ত্ততে আন যিকোনো প্ৰাণী বা গছ-গছনিলৈ ৰূপান্তৰিত কৰিব পাৰে। আৰু, আৰু—তাইক পৰ দি ৰৈ থকা ঢেৰ পৰীয়াও আছে। সিহঁতৰ দৃষ্টিকে এৰাই বুঢ়ীক জব্দ কৰা বৰ টান। বহু কাল ধৰি বুঢ়ীয়ে দিনে-নিশা কেতিয়াও টোপনি নামাৰিছিল। কিন্তু সম্প্ৰতি তাই আৰু জাগি থাকিব নোৱৰা হৈছে। কেতিয়াবা মৰ-টোপনিও মাৰে। ঠিক এই ছেগতে তাইৰ নাকৰপৰা এডুখৰি মঙহ কাটি লৈ আহিবাগৈ। তোমালোকৰ একো অনিষ্ট

নহ'ব বুলি মই কথা দিছোঁ। আৰু—তোমালোকে যদি তোমালোকৰ জোঙা ওঁঠেৰে তাইৰ কণ্ঠনলীত কামুৰি ধৰিব পাৰা—তেনেহ'লে আৰু কথা নাই—তাই মন্ত্ৰ মাতিব নোৱাৰিব, আৰু তোমালোকে তাইক কঢ়িয়াই লৈ চিধ্ধাই গুচি আহিবা। এবাৰ যদি কেনেবাকৈ লৈ আহিব পাৰা—মোৰ গৰাকী তথা গুৰু শংখতান্ত্ৰিকদেউয়ে তোমালোকৰ যেই সেই ইচ্ছা পূৰণ কৰিব—এই কথাত কণমাত্ৰো সন্দেহ নাই।"

"তোমাৰ গুৰুৱে যদি মোক সাতো সাগৰত থকা দ্বীপবিলাকত উৰি ফুৰিবলৈ ক্ষমতা দিয়ে মোক আৰু একো নালাগে।" ইটো চৰায়ে সেই বিৰাট বিশাল ৰহস্যময় অগ্নিপক্ষীক ক'লে।

আন চৰাইটোৱে ক'লে, "মোক ইমান ক্ষমতা নালাগে। মোক জীৱনত কেতিয়াও মৃত্যু নোহোৱা মন্ত্ৰ এফাকি শিকাই দিলেই সেই উপকাৰ মোৰ কাৰণে যথেষ্ট হ'ব।"

ইমান ডুখলগা অৱস্থাৰ মাজতো চন্দ্ৰবৰ্মাৰ পেটে পেটে হাঁহি উঠিল। চন্দ্ৰবৰ্মাই ভাবিলে: এই চৰাই দুটা শংখতান্ত্ৰিকক ভগৱন্ত বুলি ভাবি লৈছে—এজন তান্ত্ৰিক যিমানেই ক্ষমতাৰ অধিকাৰী নহওক—কোনোবা প্ৰাণীক অমৰত্ব দান কৰিব পাৰেনে!

চন্দ্ৰবৰ্মাই এইবোৰ কথা ভাবি থাকোঁতে সেই অগ্নিপক্ষীয়ে কৈ উঠিল, "ঠিক আছে, কালিলৈ আগবেলাত তোমালোকে মোৰ গুৰুৰ ওচৰলৈ আহিবা। মই তেওঁৰ সৈতে তোমালোকক চিনাকি কৰাই দিম।"

চৰাই দুটা অগ্নিপক্ষীৰ প্ৰস্তাৱত সন্মত হ'ল। আৰু অগ্নিপক্ষীয়ে লগে লগে পুনৰ বিৰাট ডেউকা মেলি আকাশলৈ উৰা মাৰি গুচি গ'ল। [অহা সংখ্যাত

সৎ আৰু শাপ

পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত কঢ়িয়াই লৈ প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, কিবা অভিশাপৰ ফলত তোমাৰ এই অৱস্থা হ'লনে কি, তুমিহে জানা। কোনোবা মুনি-ঋষিৰ কোপত পৰিছিলানে কি তুমি ? ৰতিপাল নামৰ এজন ব্যৱসায়ীক এগৰাকী সাধুৱে ক্ৰুদ্ধ হৈ অভিশাপ দিয়াৰ কাহিনী তোমাক কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে বেতালে ৰতিপালৰ কাহিনী ক'বলৈ ধৰিলেঃ

ৰতিপাল আছিল ডাঙৰ ব্যৱসায়ী। তেওঁৰ অগাধ ধন-সম্পদ আছিল ; কিন্তু

'বেতাল-কথা'

তেওঁৰ কোনো সন্তান নাছিল। ৰতিপালে শুনিছিল যে নৈমিষাৰণ্যৰ মহর্ষি মহানামে সন্তানলাভ কৰিবপৰা দৰব দিয়ে। নিঃসন্তান ৰতিপালে তেতিয়া নৈমিষাৰণ্যলৈ বুলি ৰাওনা হ'ল। সাতোটা ঘোঁৰাই টনা ৰথত উঠি দহ দিন দহ নিশাৰ অন্তত ৰতিপালে নৈমিষাৰণ্য পালেগৈ। তাত আন এগৰাকী বৃদ্ধ মানুহে ৰতিপালৰ অভিশাপৰ কথা শুনি ৰতিপালক ক'লে, "মহর্ষি মহানামে তোমাৰ ইচ্ছা নিশ্চয় পূৰাব। পিছে—মহর্ষিৰ কুটীৰলৈ অকলশৰে আৰু খোজ কাঢ়িহে যাব লাগিব।"

মহর্ষি মহানামৰ কুটীৰ ৰতিপালে যেতিয়া বহু দূৰৰপৰা দেখা পালে, তেতিয়া তেওঁ আৰু খোজ কাঢ়িব নোৱৰা হ'ল। তেওঁ হঠাৎ মাটিত লুটি খাই পৰিল।

মহর্ষিৰ কুটীৰৰ দুৱাৰদলিত বাঢ়নীৰে জাৰৰ-জোথৰ চাফা কৰি থকা নন্দ নামৰ ল'ৰাটোৱে ৰতিপালক লুটি খাই পৰা দেখি লৰৰি গ'ল।

ৰতিপালে নন্দক ক'লে, "বোপা, তুমি মোৰ ভৰি পিটিকি দিব পাৰিবানে?"

নন্দই ক'লে, "কিয় নোৱাৰিম, নিশ্চয় পাৰিম। পিছে—এটা চৰ্ত আছে। মই যিমান সময় ধৰি তোমাৰ ভৰি পিটিকি দিম, তুমি তাৰ দ্বিগুণ সময় ধৰি মোৰ ভৰি পিটিকি দিবা।"

নন্দৰ কথাত অপমান পাই ৰতিপালে খঙতে কৈ উঠিল, "তোমাৰ দেখিছোঁ সৰু ডাঙৰ বোলা জ্ঞান-বুদ্ধিকণো নাই। তোমাতকৈ মই যে বয়সত ডাঙৰ দেখা নাইনে? মই তোমাৰ ভৰি পিটিকি দিম?"

"মোৰ কথা শুনা। ধৰা, তোমাৰ এটি পুত্ৰলাভ হ'ল। সি-ও তো তোমাতকৈ বয়সত সৰু। তুমি তাৰ ভৰি পিটিকি নিদিবানে? তাৰ ভৰি তাতকৈ সৰু বয়সৰ কোনোবাই পিটিকি দিবনেকি?" নন্দই ক'লে।

তাৰ কথা শুনি ৰতিপালৰ খং আৰু চৰিল। তেওঁ কৈ উঠিল, "মোৰ পুত্ৰৰ

লগত তুমি তোমাৰ তুলনা কৰিছা! মোৰ ল'ৰাটো হ'ব কোটিপতিৰ ল'ৰা, আৰু তুমি হ'লা এটা চাকৰহে!"

নন্দই হাঁহি মাৰি ক'লে, "তোমাৰ ধনৰ ভেম হৈছে, হৈ থাকক। পিছে ধনে তোমাৰ মনক শান্তি দিব পৰা নাই। তুমি এটি পুত্ৰসন্তান বিচাৰি ইয়ালৈ আহিছা মগনিয়াৰৰ দৰে, জানো মই। কৈ থওঁ, তোমাৰ পুত্ৰই মোতকৈয়ো অধিক কাম কৰিবলৈ বাধ্য হ'ব।"

ৰতিপালে নন্দৰ কথালৈ একো গুৰুত্ব নিদিয়া হ'ল। তেওঁ সেই ঠাইত আৰু অলপ পৰলৈ জিৰণি ল'লে। ৰতিপালে জিৰণি লোৱাৰ অন্তত পুনৰ মহৰ্ষিৰ কুটীৰলৈ বুলি খোজ লোৱাৰ লগে লগে স্বয়ং মহৰ্ষি মহানাম তালৈ আহিল আৰু ৰতিপালৰ দুখৰ বিবৰণ শুনি ক'লে, "ইমানদূৰলৈ খোজ কাঢ়ি থাকোঁতে তোমাৰ বৰ কষ্ট হ'ল।" এই বুলি কৈ, মহৰ্ষিয়ে ৰতিপালৰ হাতত ধৰি, সমাদৰেৰে সৈতে তেওঁৰ আশ্ৰমলৈ লৈ গ'ল।

বাটত ৰতিপালে মহৰ্ষিক ক'লে, "হে মহৰ্ষি মহানাম, আপোনাৰ ভদ্ৰ ব্যৱহাৰ আৰু সুমিষ্ট বাক্যালাপত মই মুগ্ধ। কিন্তু আপোনাৰ কাম কৰা ল'ৰাটোৰ আচৰণ তথা কথা-বাৰ্তা বৰ অভদ্ৰ।"

ৰতিপালৰপৰা নন্দই কোৱা কথাখিনি জানি লৈ মহৰ্ষিয়ে ক'লে, "মই তোমাক দৰব দিম আৰু তোমাৰ সন্তানকামনাও পূৰ্ণ কৰিম। পিছে—তোমাৰ প্ৰতি নন্দৰ অভিশাপ কিন্তু ব্যৰ্থ নহ'ব। ক'লে, "নন্দৰ আচৰণ কিয় যে তোমাম অসহ্য হ'ল মই বুজি পোৱা নাই। সি তোমাৰ সেৱা কৰাত ৰাজী হৈছিল আৰু তাৰ পৰিৱৰ্তে তোমাৰপৰাও অনুৰূপ সেৱা খুজিছিল। তুমি সৰু-ডাঙৰৰ কথাত ধৰিলা। এতিয়া, তুমিয়েই কোৱাচোন, তুমি নিজে তোমাতকৈ ডাঙৰ বয়সৰ কাৰোবাৰপৰা কেতিয়াও সেৱা গ্ৰহণ কৰা নাছিলানে?

নিশ্চয় গ্ৰহণ কৰিছিলা। অথচ—নন্দৰ বেলিকা তুমি যুক্তি নামানিলা। তাৰ ফলত সি তোমাক অভিশাপ দিলে। এই আশ্ৰমবাসীৰ অভিশাপ কেতিয়াও ব্যৰ্থ নহয়।” মহৰ্ষি মহানামে ক'লে।

তেতিয়া ৰতিপালে ক'লে, “প্ৰভু, মোৰ ভুলৰ কথা এতিয়াহে মই বুজি পাইছোঁ। খোজকঢ়াৰ অভ্যাস নথকা-হেতুকে মই বৰকৈ ভাগৰি পৰিছিলোঁ, ভৰি বিষাইছিল। ঠিক তেতিয়াই নন্দই তেনেকৈ কোৰাত মোৰ খং উঠিছিল। মোৰ খঙৰ গুৰিত ধনৰ ভেম নাছিল। এতিয়া, নন্দৰ অভিশাপ নফলিয়াবলৈ কিবা এটা উপায় দিয়ক।”

“শুনা, প্ৰকৃত ভাল মানুহক অভিশাপে ছুব নোৱাৰে। তুমি যদি প্ৰকৃততে সৎ, অভিশাপৰপৰা এনেয়ে মুক্তি পাবা।” এই বুলি কৈ, মহৰ্ষি মহানামে দৰবৰ পুৰিয়া এটি ৰতিপালৰ হাতত দিলে আৰু ক'লে, “তোমাৰ পত্নীক এই দৰব খুৱাবা, তেওঁ সন্তানৱতী হ'ব। নিৰ্দিষ্ট সময়ত তুমি পুত্ৰলাভ কৰিবা। আৰু ঠিক সময়তে একেদিনাই, তোমাৰ ঘৰত থকা তোমাৰ তোমাৰ ঘৰুৱা কাম কৰা মানুহজনীৰো এটি পুত্ৰসন্তান উপজিব। লগে লগে তোমাৰ পুত্ৰটি তোমাৰ কাম কৰা মানুহজনীৰ পুত্ৰটিৰ লগত বদলি হৈ যাব। আৰু এই ঘটনা ঘটাৰ পাছমুহূৰ্তৰেপৰা তুমি তোমাৰ সেই কাম কৰা মানুহজনী তাৰপৰা নোহোৱা হৈ পৰিব। বহুকালৰ অন্তত নন্দ তোমালোকৰ গাঁৱলৈ যাব আৰু তেতিয়া, কেৱল নন্দৰপৰা তোমাৰ আচল পুত্ৰৰ খবৰ পাবা।”

ৰতিপাল ঘৰলৈ উভতি আহিল, আৰু তেওঁৰ পৰিবাৰক দৰব খুৱালে। মহৰ্ষিয়ে কোৱামতে সকলো কথা-কাণ্ড ঘটিল। কিন্তু ৰতিপালৰ মনত শান্তি নাছিল। চাকৰণীৰ ল'ৰাটোক বৰকৈ আদৰ-সাদৰ কৰাত এদিন ৰতিপালে তেওঁৰ পৰিবাৰক

সকলো কথা খুলি-মেলি ক'লে। তেওঁ ক'লে, "এতিয়া যদি এইটো ল'ৰাক ইমানকৈ আদৰ-আপদাল দিয়া তেনেহ'লে এদিন এইটোক বিদায় দিওঁতে তোমাৰ বৰ কষ্ট হ'ব।"

ৰতিপালৰ পৰিবাৰে সকলো কথা শুনাৰ পাছত কান্দি থাকিল। তাৰ পাছত এদিন ল'ৰাটোক সেই চাকৰণীজনীৰ হাতত সঁপিলে তেওঁ। ল'ৰাটোৱে দাস-দাসীহঁতৰ ল'ৰা-ছোৱালীৰ লগত মিলি কাম-বন কৰিবলৈ ধৰিলে।

তেওঁৰ পুত্ৰক কিয় চাকৰ-চাকৰাণীহঁতৰ ল'ৰাবিলাকৰ লগত ৰাখিছে—এই কথা ৰতিপালৰ বন্ধু-বান্ধৱসকলে তেওঁক সোধাত তেওঁ ক'লে, "মহৰ্ষি মহানামৰ উপদেশ মতেহে এই কাম কৰিলোঁ মই।"

এইদৰে দহবছৰকাল পাৰ লৈ যোৱাৰ অন্তত সাধু নন্দেশ্বৰ নামৰ এগৰাকী মহাত্মা ৰতিপালৰ গাঁৱলৈ অহাৰ খবৰ পায়েই ৰতিলাল নন্দেশ্বৰৰ কাষ চাপিল। তেতিয়া নন্দেশ্বৰে এজনী তিৰোতাক কৈ আছিল, "তুমি ল'ৰাটোক তাৰ মাতৃপৰা আঁতৰাই ৰাখিছা—এয়ে তোমাৰ দুখ-কষ্টৰ প্ৰধান হেতু। তুমি ল'ৰাটোক তাৰ মাতৃক ওভোতাই দিয়া, তোমাৰ দুখ-কষ্ট নোহোৱা হ'ব।"

অদূৰত থিয় হৈ এই কথাখিনি শুনি ৰতিপালৰ খং উঠিল। তেওঁ সাধু নন্দেশ্বৰক সুধিলে, "হে মহাত্মা, আপুনি মহানাম মহৰ্ষি আশ্ৰমৰ সেই নন্দেশ্বৰনে?"

"ওঁ।" নন্দই মূৰ দুপিয়াই ক'লে।

তেতিয়া ৰতিপালে তাত গোট খোৱা মানুহকখিনিক নিজৰ কাহিনী সবিস্তাৰে কোৱাৰ অন্তত সাধু নন্দেশ্বৰক ক'লে, "আপুনি মহিলাজনীক কোৱা কথাখিনি মই শুনিলোঁ। কিন্তু আপুনি নিজেও এই একেটা কাম কৰা নাছিলনে? তাৰ কাৰণে আপুনি দুঃখিতনে বাৰু?"

সাধু নন্দেশ্বৰে মিচিকীয়াই হাঁহি ক'লে,

"তোমাৰ কথা মই বুজি পোৱা নাই।"

"আপোনাৰ অভিশাপৰ ফলত মোৰ পুত্ৰসন্তানটি তাৰ মাতৃৰপৰা বিচ্ছিন্ন হৈ থকা নাইনে?" ৰতিপালে ক্রুদ্ধ কণ্ঠেৰে ক'লে।

সাধু নন্দেশ্বৰে শান্তভাৱে ক'লে, "তোমাৰ পুত্ৰসন্তান বিচ্ছিন্ন হোৱা নাই তো! ইমান দিন ধৰি তোমালোকে যাক লালন-পলেন কৰিছা, ডাঙৰ-দীঘল কৰিছা, সেইয়েই তোমাৰ প্ৰকৃত আৰু নিজস্ব পুত্ৰসন্তান।"

ৰতিপালে সাধু নন্দেশ্বৰক সাষ্টাংগে প্ৰণাম কৰি তৎক্ষণাৎ ঘৰলৈ উভতি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, সাধু নন্দেশ্বৰে ৰতিপালক কিয় বাৰু তেনেকৈ মিছাকথা কৈছিল? সেই ল'ৰাটো তো ৰতিপালৰ নাছিল। তেনেহ'লে— ? সাধু হোৱাৰ আগতে নভবা-নিচিন্তাকৈ নন্দই যি অভিশাপ দিছিল তাৰ বাবে নন্দ অনুতপ্ত হৈছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ যদি জানিও সঠিককৈ নিদিয়া, তেনেহ'লে মোৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "মহৰ্ষি মহানামৰ যোগ্য শিষ্য নন্দেশ্বৰে মিছা কথা কোৱাৰ একো হেতু নাছিল। ৰতিপাল প্ৰথমৰে-পৰাই আছিল সন্দেহপৰায়ণ মানুহ। নন্দেশ্বৰে আচলতে অভিশাপ দিয়া নাছিল, ৰতিপালেহে অভিশাপ বুলি লৈছিল। ৰতিপালৰ কাম কৰা মানুহজনী গুচি যোৱা আৰু কোনোবা এগৰাকী তিৰোতাক সাধু নন্দেশ্বৰে ককৰ্থনা কৰাটো আছিল কাকতালীয় ঘটনা। প্ৰকৃততে ৰতিপালৰ পুত্ৰসন্তান এদিনলৈকো বদলি হৈ যোৱা নাছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগে বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত





দুগুণ লাভ

এবাধৰা গাঁৱত এজন দুখীয়া হালোৱা আছিল। নাম তাৰ ধনেশ। বছৰটোৰ ছমাহমান ধনেশে ধাৰ-ধুৰ কৰি চলিছিল, বাকী ছমাহত খেতি-বাতি কৰি ধাৰ মাৰিছিল। এইদৰে, ধাৰ কৰি আৰু শুজি বহু বছৰ পাৰ হোৱাৰ পাছত সি এদিন সুতখোৰ চৰিত্ৰমহাজনক ক'লেগৈ, "চাওক মহাজন, আপুনি জীৱনত ঢেৰ ধন-সোণ ঘটিলে। কেনেকৈনো ঘটিলে। কথাটো ক'বনে ?"

"হেঃ; বলিয়া ক'ৰবাৰ। টকা হ'ল ঈশ্বৰৰ দান। ঈশ্বৰে দিলেহে মানুহে পায়।" চৰিত্ৰমহাজনে দাৰ্শনিকৰ দৰে ক'লে।

ধনেশ হালোৱাই ভাবিলে ঃ তেনেহ'লে ঈশ্বৰৰ ওচৰলৈহে যাব লাগিব। যাৱেঁই বাৰু তেন্তে। ঈশ্বৰৰ ওচৰলৈ ৰাওণা হোৱাৰ আগে আগে ধনেশ্বৰৰ ঘৈণীয়েক ধুমুলীয়ে তিনিখন ৰুটি এটা টোপোলাত বান্ধি দিলে। ৰুটিকেইখন লগত লৈ হালোৱা ধনেশ ঈশ্বৰক লগ ধৰিবলৈ ৰাওণা হ'ল। বাটত এগৰাকী বামুণ মানুহৰ লগত দেখাদেখি। ধনেশে টোপোলাটো খুলি এখন ৰুটি বামুণক দি ক'লে, "মই ঈশ্বৰক বিচাৰি ওলাইছোঁ, কেনিয়েদি যাব লাগিব ক'বনে ?"

বামুণ মানুহজনে হালোৱাৰ কথা শুনি, একো নকৈ ৰুটিখন খাই গুচি গ'ল।

তাৰ পাছত হালোৱা ধনেশে এজন সাধুক লগ পাই, ৰুটি এখন দি, সাধুকো ঈশ্বৰৰ ওচৰলৈ যোৱাৰ বাট সোধাত ৰুটিখন লৈ সাধু নিৰ্লিপ্তভাৱে গুচি গ'ল।

আৰু কিছুদূৰলৈ আগবঢ়াৰ পাছত

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ধনেশে বাটৰ কাষত বহি থকা এজন ভিখাৰীক শেষ ৰুটিখন খাবলৈ দিলে।

ভিখাৰীয়ে ৰুটিখন খোৱাৰ পাছত ধনেশক সুধিলে, "ক'লৈ, যাবাহে তুমি ?"

"মই ঈশ্বৰৰ ওচৰলৈ যাবলৈ ওলাইছোঁ। কিন্তু কোনেও তেওঁৰ ঠিকনা দিব পৰা নাই। তুমি জানানে কি ঈশ্বৰৰ ঠিকনা ?"

"হোঁ, এয়া লোৱা ,এই শংখটো তোমাক দিছোঁ। এই শংখত ফু মাৰি যি খুজিবা পাই যাবা। কেনেকৈ ফু মাৰিব লাগিব শিকাই দিছোঁ ৰ'বা।" ভিখাৰীয়ে দিয়া শংখটো লৈ ধনেশ ঘৰলৈ উভতি গ'ল।

তেতিয়াৰপৰা শংখত ফু মাৰি যি মন যায় তাকে পায় ধনেশে।

ধনেশৰ গতি-গোত্ৰ দেখি সন্দেহ হোৱাত এদিন চৰিত্ৰ মহাজনে ধনেশৰপৰা সকলো কথা জানি ল'লে আৰু শংখটো চুৰি কৰি লৈ গ'ল। কিন্তু শংখটোত বিশেষভাৱে ফু মাৰিব জানিলেহে পাব। গতিকে চৰিত্ৰই একো নোপোৱা হ'ল।

কেইদিনমানৰ পাছত এদিন চৰিত্ৰ মহাজনে ধনেশক ক'লেহি, "শুনা, এটা চৰ্তত শংখটো তোমাক ঘূৰাই দিব পাৰোঁ। এই শংখত ফু মাৰি তুমি যিমান পাবা— মোক সেই বস্তু তাৰ দুগুণকৈ দিব লাগিব। নহ'লে আগৰ ধাৰৰ সলনি শংখটো বন্ধক হিচাপে পেলাই থ'ম।"

নিৰুপায় ধনেশ মান্তি হ'ল দুগুণৰ প্ৰস্তাৱত। তেতিয়াৰপৰা শংখত ফু মাৰি ধনেশ যিমান পাইছিল, চৰিত্ৰই ঘৰতে বহি বহি তাৰ দুগুণকৈ, পাইছিল।

কিছুদিনৰ পাছত ধনেশে শংখত ফু মাৰি শংখক ক'লে, "মোৰ এটা চকু কণা কৰি দিয়া।" লগে লগে তাৰ এটা চকু কণা হৈ গ'ল।

আৰু ঘৰত বহি সুতৰ বহী খুলি হিচাপ কৰি থাকোঁতে চৰিত্ৰমহাজনৰ দুটা চকু লগে লগে কণা হৈ গ'ল।

ৰজা হোৱাৰ মজা

কোশলৰাজ সূৰ্য্যদেৱ টান বেমাৰত পৰিল। তেওঁ তেতিয়া সত্তৰ বছৰীয়া। টান বেমাৰ হোৱাত তেওঁ সুকলমে শাসনকাৰ্য্য চলোৱাত অক্ষম হ'ল। দেশৰ বিভিন্ন প্ৰান্তত এক অৰাজকতাই মুৰ দাঙি উঠিল।

আৰু লগে লগে প্ৰতিবেশী ৰজাসকলো কোশলদেশ আক্ৰমণৰ বাবে সক্ৰিয় হৈ উঠিল।

ঠিক এই সময়ত, অধ্যয়ন সাং কৰি, যুৱৰাজ উভতি আহিল। দেশৰ মহামন্ত্ৰীয়ে তেতিয়া যুৱৰাজ আকাশদেৱক কোশল দেশৰ ৰজা পাতিবলৈ বৃদ্ধ মহাৰজা সূৰ্য্যদেৱক যথাসময়ত যথোচিত পৰামৰ্শ আগবঢ়ালে।

কিন্তু মহামন্ত্ৰীৰ পৰামৰ্শত ৰজা সূৰ্য্যদেৱে মুঠেই ভাল নাপলে। অভিজ্ঞতাহীন কোনোবা এজনক ৰজা পতাটো বৰ বুদ্ধিমানৰ কাম হ'বনে?

নহ'ব।

তথাপি, এই বিষয়ে পৰামৰ্শ কৰিবলৈ তেওঁ পুত্ৰ আকাশদেৱক মতাই অনাই মহামন্ত্ৰীৰ এই পৰামৰ্শৰৰ কথা ক'লে।

যুৱৰাজ আকাশদেৱে দেউতাকৰ কথা মনপুতি শুনাৰ পাছত ক'লে, "দেউতা, এতিয়া প্ৰতিবেশী ৰজাৰ আক্ৰমণ প্ৰতিহত কৰাটোহে জৰুৰী কাম। দেশৰ সীমান্ত সুৰক্ষিত কৰা আৰু সৈন্যহঁতক যুদ্ধৰ বাবে সকলোফালৰপৰা প্ৰস্তুত কৰাহে মোৰ বা আমাৰ সকলোটিৰ প্ৰথম আৰু প্ৰধান কাম হ,ব লাগিব এতিয়া।"

"কিন্তু আমাৰ দেশৰ বিভিন্ন প্ৰান্তত

মনোৰথ মহন্ত

যে অৰাজক অৱস্থাৰ সৃষ্টি হৈছে—সেই বিষয়ে তুমি কিবা ভাবিছানে? বাহিৰা শত্ৰুতকৈ গৃহশত্ৰুক দমন কৰাটো অধিক জৰুৰী।" বৃদ্ধ ৰজাই তেওঁৰ পুত্ৰ আকাশদেৱক ক'লে।

এই কথাৰ উত্তৰত যুৱৰাজ আকাশদেৱে ক'লে, "দেউতা, দেশৰ বিদ্ৰোহ বা অৰাজকতা তাৎক্ষণিক। কিন্তু বিদেশীয়ে দেশ অধিকাৰ কৰিলে আমি চিৰকালৰ বাবে পৰাধীন হৈ পৰিম আৰু সিহঁতৰ দাসত্বহে কৰি থাকিম।"

"তাৰ মানে—ঘৰৰ শত্ৰুতকৈ বাহিৰা-শত্ৰু অধিক ভয়ংকৰ—এয়ে তোমাৰ বক্তব্য। নহয় জানো?" সূৰ্য্যদেৱে প্ৰশ্ন কৰিলে। অলপ পৰলৈ নীৰৱতা বিয়পি পৰিল তাত। আকাশদেৱে তেওঁৰ দেউতাক প্ৰশ্নৰ সঠিক উত্তৰ দিবলৈ অলপ সময় ল'লে। বৃদ্ধ মহাৰাজ পুত্ৰ আকাশদেৱৰ মুখলৈ চাই থাকিল।

"ঠিক। এই কথাটোকে মই ক'ব খুজিছোঁ। কথা মাথোন সিমানেই নহয়, বিদেশী ৰজাই আমাৰ দেশ অধিকাৰ কৰি আমাৰ প্ৰজাবৰ্গৰ ওপৰত অকথ্য অত্যাচাৰো চলাব। আমি তেতিয়া বন্দী থাকিম, আমি একো কৰিব নোৱাৰিম।" আকাশদেৱে ক'লে।

পুত্ৰ গুচি যোৱাৰ পাছত বৃদ্ধ ৰজা সূৰ্য্যদেৱ চিন্তান্বিত হৈ পৰিল। ঠিক তেতিয়াই দুজন চোৰাংচোৱা লগত লৈ সেনাধিপতি ৰজাৰ ওচৰলৈ আহিল আৰু ৰজাক ক'লে, "মহাৰাজ, আমাৰ এই চোৰাংচোৱা দুজনে এটা বিচিত্ৰ বাতৰি কঢ়িয়াই আনিছে। যোৱা প্ৰায় এমাহেই হ'ল—আমাৰ ৰাজধানীত এগৰাকী সাধু মহাত্মাই আশ্ৰম পাতি আছেহি। তেওঁ উপৰিপুৰুষে গুপুতে সাঁচি থৈ যোৱা ধন-সোণৰ সম্ভেদ উলিয়াই দিব পাৰে হেনো। বহুতকে তেওঁ এনেবোৰ সম্ভেদ দিলে, তেওঁলোকেও হেনো লুকাই থোৱা

সা-সম্পদ বিচাৰি পালে। আমিও এইগৰাকী মহাত্মাৰ কাষ চাপিলে কেনে দেখে—মহাৰাজ? আপোনাৰ পূৰ্বপুৰুষ-সকলে ক'ত কি লুকাই থৈ গ'ল তাৰ সন্ধেদ কিজানি আমিও তেওঁৰপৰা জানি ল'ব পাৰিম।"

সেনাপতিৰ ওপৰত মহাৰজা সূৰ্য্যদেৱৰ অটুট আস্থা তথা অগাধ বিশ্বাস আছিল। তেওঁ তৎক্ষণাৎ সেনাপতিৰ লগ লাগি সেই মহাত্মা সাধুগৰাকীৰ ওচৰলৈ গ'ল আৰু নিজৰ সমস্যাৰ কথা বিস্তাৰিতভাৱে সাধুবাবাক বুজাই ক'লে।

অলপ সময়লৈ তলমূৰ হৈ মনে মনে থকাৰ পাছত সাধুৱে মহাৰাজ সূৰ্য্যদেৱক ক'লে, "মহাৰাজ, মই যোগবলেৰে সকলো কথাৰ উত্তৰ জানি ল'লোঁ। আপোনাৰ ৰাজ্য কোনো প্ৰতিবেশী ৰজাই আক্ৰমণ নকৰিব। আন এটা কথা শুনি আপুনি বোধকৰোঁ ভাল পাব যে—আপোনাৰ উপৰিপুৰুষসকলে ৰাজপ্ৰাসাদৰ প্ৰধান তোৰণৰ দুকাষত দুশ পঁচিছ কলহ সোণ-মণি-মুকুতা পুতি থৈ গৈছে। দ'কৈ মাটি খান্দিলেই ধনখিনি পাব।"

ৰজাই যৎপৰোনাস্তি ভাল পাই, সাধু মহাত্মাক প্ৰণাম কৰি ৰাজপ্ৰাসাদলৈ উভতি গ'ল।

সাধুৱে কোৱা কথাখিনি মহাৰাজ সূৰ্য্যদেৱে যুৱৰাজ আকাশদেৱক কোৱাত যুৱৰাজে ক'লে, "দেউতা, সাধুৰ কথা সঁচা হয়ো যদি—তেওঁৰ কথা মতে ৰাজপ্ৰাসাদৰ প্ৰধান তোৰণ খন্দাটো এতিয়া বৰ বিপদজনক কথা হ'ব। তুমি খৰখেদাকৈ একো নকৰাই ভাল। মই এই সাধুগৰাকীক ইতিমধ্যে অলপ পৰীক্ষা কৰি চাম বুলি ভাবিছোঁ। এই সাধু-গৰাকীৰ কথা সন্দেহজনক।"

মহাৰাজ সূৰ্য্যদেৱ পুত্ৰ আকাশদেৱৰ প্ৰস্তাৱত সন্মত হ'ল।

যুৱৰাজ আকাশদেৱে বিদূষকৰ সৈতে

এই বিষয়ে পৰামৰ্শ কৰি এঠাইত এশ সোণৰ মুদ্ৰা পুতি থ'লে। তাৰ পাছত সাধু মহাত্মাৰ ওচৰলৈ গৈ, প্ৰণাম কৰি বিদূষকে ক'লে, "হে মহাত্মা, মই সম্প্ৰতি বৰ বিপদগ্ৰস্ত হৈ পৰিছোঁ। কমেও এশমান সোণৰ মুদ্ৰা নোপোৱা হ'লে মই বিপদমুক্ত হ'ব নোৱাৰিম। মোৰ উপৰি-পুৰুষপুৰুষসকলে ক'ৰবাত কিবা পুতি থৈ গ'লনে নাই কৈ দিয়ে যদি—বৰ উপকৃত হ'ম দিয়ক।"

সাধুৱে কেইখন্তেকমানলৈ ভাবি লৈ বিদূষকক ক'লে, "বোপা, এইবোৰ কথা কোৱাৰ সময় আজি আৰু নাই। তুমি কালিলৈ আগবেলাতে পুনৰ ইয়ালৈ আহিবা, তেতিয়া কৈ দিম তোমাক মোৰ ক'বলগীয়াখিনি।"

সেই যুৱৰাজো বিদূষকৰ ঘৰতে লুকাই থাকিলগৈ। মাজনিশা দুটা মানুহ বিদূষকৰ ঘৰৰ দুৱাৰদলিত থিয় হ'লহি। যুৱৰাজ আৰু বিদূষকে সেই মানুহ দুটাক চিনি পালে। এই মানুহ দুটা আছিল অথনি সেনাধিপতিৰ লগত মহাৰাজৰ ওচৰলৈ যোৱা সেই চোৰাংচোৱা দুটা।

ইহঁত দুটা হাতত সাৰে ভৰিত সাৰে বিদূষকৰ ঘৰৰ পিছফাললৈ গ'ল আৰু তাম থকা আম এজোপাৰ তলত কিবা যেন পুতি থৈ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

সিহঁত গুচি যোৱাৰ পাছত যুৱৰাজ আৰু বিদূষকে আম আমগছৰ তলৰ মাটি খান্দি এটা তামৰ পাত্ৰৰ ভিতৰত এশ সোণৰ মুদ্ৰা দেখা পাই দুয়ো একেলগে হাঁহি উঠিল।

* * *

পাছদিন পুৱা বিদূষক সাধুৰ ওচৰলৈ গ'ল। সাধুৱে বিদূষকক ক'লে, "আহাঁ, বোপা, আহাঁ। আছে। তোমালোকৰ ঘৰৰ পিছফালে এজোপা আমগছৰ তলত এটা তামৰ পাত্ৰৰ ভিতৰত এশ সোণৰ মুদ্ৰা পাবা। কষ্ট কৰি অলপমান মাটি

তাত খাব্দিব লাগিব। বছ, হৈ যাব। হ'বনে তোমাৰ কাম?"

বিদূষক পোনে পোনেই ৰাজভৱনলৈ গ'ল আৰু যুৱৰাজক সাধুৰে কোৱা সকলো কথা ক'লে। যুৱৰাজে বিদূষকক লগত লৈ দেউতাকৰ কাষ চাপিল আৰু সকলো বিবৰি কোৱাৰ অন্তত ক'লে, "দেউতা, এই সাধুৰ একো ক্ষমতা নাই। ক্ষমতা থকাহেঁতেন আমি আগতে পুতি থোৱা সোণৰ মুদ্ৰাৰ কথা নিশ্চয় ক'ব পাৰিলেহেঁতেন। এই ভণ্ড সাধু নিশ্চয় কোনোবা বিদেশী ৰজাৰ গুপ্তচৰ। আমাৰ সেনাধিপতি আৰু কেইজনমান গুপ্তচৰো এই ভণ্ড সাধুৰূপী বিদেশী গুপ্তচৰৰ লগত যোগ দিলে। আমাৰ প্ৰাসাদৰ প্ৰধান তোৰণ ভাঙি পেলাই কিবা বিশেষ স্বাৰ্থসিদ্ধিহে কৰাটোহে সিহঁতৰ আচল উদ্দেশ্য। এইবোৰ সকলো কথা-কাণ্ড অতি পৰিকল্পিতভাৱে চলি আছে।"

কিন্তু যুৱৰাজে স্পষ্টকৈ কোৱা সত্বেও মহাৰাজ সূৰ্য্যদেৱে তেওঁৰ সেনাধিপতিক সম্পূৰ্ণ অবিশ্বাস কৰিব নোৱাৰিলে। তেওঁ আকাশদেৱক ক'লে, "এই ভণ্ড সাধুৱে আন লোকসকলক প্ৰতাৰণা কৰাৰ দৰে আমাৰ সেনাধিপতিকো চাগৈ প্ৰতাৰণাহে কৰিলে। আমাৰ সেনাধিপতি দেশদ্ৰোহী—এই কথা ভবাৰো অযোগ্য।"

"দেউতা, এটা কাম কৰা যাওক। আজি ৰাতি আমি ছদ্মবেশ ধাৰণ কৰি সেই ভণ্ড সাধুৰ আশ্ৰমলৈ যাওঁ ব'লা। তাৰ ওচৰলৈ কোন আহে, আমাৰ কোনোবা যায়নেকি, জানিব পাৰিম। যদি আমাৰ কাৰোবাক তাত পাওঁ— তৎক্ষণাৎ বন্দী কৰিম। তাক বা সিহঁতক সোধ-পোছ কৰি আমি বহুতো গুপ্ত কথা জানিব পাৰিম।" যুৱৰাজ আকাশদেৱে মহাৰাজ সূৰ্য্যদেৱক ক'লে।

মহাৰাজ সূৰ্য্যদেৱ যুৱৰাজৰ প্ৰস্তাৱত মান্তি হ'ল। তেওঁলোক দুয়ো ছদ্মবেশত

সেই সাধুৰ আশ্ৰমলৈ গ'ল, লগত লৈ গ'ল দহজন বছা বছা সৈন্য। সৈন্য-কেইজনক লুকাই থাকিবলৈ কৈ মহাৰাজ আৰু যুৱৰাজ সাধুৰ আশ্ৰমৰ খিৰিকীৰ ওচৰত এন্ধাৰৰ গাত ভেজা দি মনে মনে ৰৈ থাকিল।

অলপ সময়ৰ পাছত সেনাধিপতিয়ে সেই চোৰাংচোৱা দুজনক লগত লৈ সাধুৰ কক্ষত সোমালহি। সাধুৱে সেনাধিপতিক কৈ উঠিল, "আশা কৰোঁ আপোনালোকৰ মহাৰাজে মোৰ কথাত নিৰ্ভৰ কৰি ৰাজ-প্ৰাসাদৰ প্ৰধান তোৰণ ভাঙি তাৰ তলৰ মাটি খান্দিব? এই বিষয়ে আপোনাৰ ধাৰণা কি? মহাৰাজ মোৰ কথাত পতিয়ন গ'লনে।"

"মোৰ ধাৰণা—নিশ্চয় খান্দিব আৰু কান্দিব। বিশেষকৈ বিদূষকৰ ঘৰৰ আম-গছৰ তলত থকা সোণৰ মুদ্ৰা পোৱাত আমাৰ কাজ আৰু সহজ হৈ পৰিছে। মহাৰাজে কাল্পনিক সোণৰ কলহ বোৰ নিশ্চয় খান্দি উলিয়াব লাগিবই।" সেনাধিপতিয়ে হাঁহি হাঁহি সাধুক ক'লে।

সেনাধিপতিৰ কথা শুনি মহাৰাজ আৰু যুৱৰাজে ইংগিতেৰে সৈন্যহঁতক মাতি সেনাধিপতি, সাধু আৰু চোৰাংচোৱা দুটাকো বন্দী কৰিবলৈ ক'লে। সিহঁতক বন্দী কৰি তৎক্ষণাৎ কাৰাগাৰলৈ পঠোৱা হ'ল।

* * *

এই ঘটনাৰ পাছত যুৱৰাজ আকাশ-দেৱক সিংহাসনত অধিষ্ঠিত কৰা হ'ল। ৰজা আকাশদেৱে গুপ্তচৰ বিভাগক নিজৰ প্ৰত্যক্ষ তত্ত্বাৱধানত ৰাখিলে। আগতে এই গুপ্তচৰ বিভাগ দেশৰ সেনাধিপতিৰ তত্ত্বাৱধানত আছিল।

অভিজ্ঞ ৰজা আকাশদেৱে অতি যোগ্যতাৰে দেশ শাসন কৰি দেশ আৰু বিদেশতো যথেষ্ট সুনাম আৰ্জিছিল।

সোণৰ ময়ূৰ

বোধিসত্ত্বই এবাৰ কাশীত ময়ূৰ ৰূপে জন্ম লৈছিল। তেতিয়া ব্ৰহ্মদত্ত আছিল কাশীৰ ৰজা। এই ময়ূৰটি দেখাত আছিল অপূৰ্ব আৰু সোণবৰণীয়া। এই ময়ূৰে দণ্ডকাৰণ্যত ঘূৰি ফুৰিছিল।

এবাৰ কাশীৰ ৰাজপত্নীসকলৰ মাজত এগৰাকীয়ে সপোনত সোণৰ ময়ূৰ দেখা পাই ৰজাক টানি ধৰিলে সোণৰ ম'ৰা চৰাই এটি আনি দিবলৈ। ৰজাই এই বিষয়ত মন্ত্ৰীবৰ্গৰ লগত পৰামৰ্শ কৰিলে। মন্ত্ৰীবৰ্গই এই বিষয়ত ব্ৰাহ্মণসকলৰ সৈতে পৰামৰ্শ কৰিবলৈ ক'লে। ব্ৰাহ্মণসকলে ৰজাক ক'লে, "মহাৰাজ, চিকাৰীহঁতেহে সোণৰ ময়ূৰৰ সন্ধেদ উলিয়াব পাৰিব।"

ৰজাই দণ্ডকাৰণ্যৰ ওচৰত থকা চিকাৰী এজনক ক'লে, "তুমি যদি সোণৰ ময়ূৰ ধৰি আনি দিয়া, তেনেহ'লে তোমাক জোখে-জোখাৰে পুৰস্কাৰ দিম।"

চিকাৰী ৰজাৰ প্ৰস্তাৱত মান্তি হ'ল। সি একেৰাহে সাত বছৰলৈ সোণৰ ময়ূৰ ধৰিবলৈ চেষ্টা চলায়ো ব্যৰ্থ হ'ল। আৰু তাৰ পাছত এদিন সি ঢুকাল। যিগৰাকী ৰাণীয়ে সোণৰ ময়ূৰ সপোনত দেখিছিল, তেৰোঁ সোণৰ ময়ূৰ নাপাই, মানসিক অশান্তি ভুগি, এদিন স্বৰ্গী হ'ল।

সপোনৰ সোণৰ ময়ূৰ নাপাই ৰাণীৰ মৃত্যু হোৱাত ,ৰজা ক্ষুব্ধ আৰু ক্ৰুদ্ধ হৈ উঠিল। তেওঁ এটি ৰাজকীয় ঘোষণা লিপিবদ্ধ কৰি ৰাজহুৱা ঠাইত ওলোমাই থ'লে। তাত লিখা আছিল ঃ দণ্ডকাৰণ্যত এটা সোণৰ ময়ূৰ আছে। এই ময়ূৰৰ মাংস যিজনে খাব, কেতিয়াও মৃত্যু নহ'ব।

'জাতক-কথা'

কিছু দিনৰ অন্তত ৰজাৰো মৃত্যু হ'ল। ইজনৰ পাছত সিজনকৈ ছ'জন ৰজাৰ ৰাজত্বকালতো সোণৰ ময়ূৰ ধৰা নগ'ল।

সপ্তম ৰজাই সিংহাসনত বহিয়েই এজন দক্ষ চিকাৰীক পঠালে ময়ূৰ ধৰি আনিবলৈ আৰু সেই চিকাৰীয়ে অৱশেষত সোণৰ ময়ূৰ ধৰি আনি দিলে।

ৰজাই সোণৰ ময়ূৰ দেখি তৰধ মানিলে। তেওঁ সোণৰ ময়ূৰটিক কাষৰীয়া সিংহাসনত বহুৱাই থ'লে।

ময়ূৰৰূপী বোধিসত্বই ক'লে "মহাৰাজ, মোক আপুনি কিয় লৈ আহিল?"

"তোমাৰ মঙহ খালে কোনোদিনে মৃত্যু নহ'ব বুলি।" ৰজাই ক'লে।

"এই চিন্তা একেবাৰে নিৰ্বোধ চিন্তা। মোৰেই যিস্থল মৃত্যু হ'ব—মোৰ মাংস খালে মৃত্যু নহ'ব বুলি ভবাৰ অৰ্থ কি?" বোধিসত্বই ক'লে, "হে ৰজা, এইদৰে অমৰত্ব লাভ কৰিব নোৱাৰি। একমাত্ৰ ন্যায়পথেৰেহে অমৰত্ব লাভ কৰিব পাৰি।"

"কিন্তু তোমাৰ দৰে সোণৰ দেহা তো পাব নোৱাৰি।" ৰজাই হাঁহি মাৰি সোণৰ ময়ূৰক ক'লে।

"পাব পাৰি। ময়ো ন্যায়ধৰ্মৰ পথ অৱলম্বন কৰিহে এই স্বৰ্ণদেহ পাইছোঁ। ময়ো এসময়ত আছিলোঁ এই দেশৰ ৰজা।" বোধিসত্বই ক'লে।

ৰজাই বিস্ময়াহত হৈ সুধিলে, "তুমি ৰজা আছিলোঁ? তোমাৰ এই কথাৰ কিবা প্ৰমাণ আছেনে?"

"আছে। মোৰ ৰাজত্বকালত ইয়াত নৱৰত্নখচিত ৰথ এখন আছিল। সেইখনেই আছিল মোৰ বাহন। এতিয়া সৌ উদ্যানৰ এচুকত সৰোবৰৰ কাষত মাটিৰ তলত পোত খাই আছে।" বোধিসত্বই ক'লে।

সিদিনাৰেপৰাই ৰজাই সোণৰ ময়ূৰৰূপী বোধিসত্বক নিজৰ আধ্যাত্মিক গুৰু হিচাপে বৰণ কৰি ল'লে।



আমাৰ নদ-নদী

গঙ্গা-২

অযোধ্যাৰ ৰজা সগৰে তেওঁৰ যজ্ঞৰ অশ্ব এৰি দিলে। অশ্বটিৰ গাত এখন পতাকা আছিল। অশ্বটোৰ পিছে পিছে বিভিন্ন দেশৰ মাজেদি গৈ থাকিল সৈন্য আৰু ৰাজকোঁৱৰসকল।

কিন্তু হঠাৎ এক অসতৰ্ক মুহূৰ্তত, ইন্দ্ৰই ৰাক্ষসৰ ৰূপ লৈ যজ্ঞৰ অশ্বটোক অপহৰণ কৰি পাতাললৈ লৈ গ'ল আৰু অশ্বটোক কপিলমুনিৰ আশ্ৰমত বান্ধি থ'লে।



সগৰ ৰজাৰ আছিল ষাঠিহেজাৰ পুত্ৰ। পুত্ৰসকলে যজ্ঞৰ অশ্বটোক বিচাৰি থাকিল আৰু অৱশেষত পাতালত বিচাৰি পালে। কপিলমুনিয়ে অশ্বটোক চুৰ কৰা বুলি ভাবি সিহঁতে কপিলমুনিক বৰকৈ অপমান কৰিলে।

নিৰপৰাধ কপিলমুনি এই অপমানত ক্ৰুদ্ধ হৈ সগৰ ৰজাৰ ষাঠিহেজাৰ পুত্ৰক ভস্ম হৈ যোৱাৰ অভিশাপ দিলে। মুহূৰ্ত্তেতে দাও দাওকৈ জুই জ্বলি উঠিল আৰু সগৰৰজাৰ ষাঠি-হেজাৰ পুত্ৰ মুহূৰ্ততে ভস্মীভূত হ'ল।

বহুকালৰ অন্তত সগৰৰজাৰ নাতিয়েক অংশুমন্তই তেওঁৰ পূৰ্বপুৰুষসকলক পুনৰ্জীৱিত কৰি তুলিবলৈ কপিলমুনিৰ ওচৰলৈ প্ৰাৰ্থনা জনালে। প্ৰাৰ্থনাৰ উত্তৰত কগিলমুনিয়ে অংশুমন্তক ক'লে যে ব্ৰহ্মাৰ কমণ্ডলুৰপৰা নিঃসৃত গংগাজল ভস্মৰ ওপৰত ছটিয়ালেহে এওঁলোক পুনৰ্জীৱিত হ'ব পাৰিব।



সগৰৰাজৰ আন এজন নাতিয়েক ভগীৰথে তেওঁৰ পূৰ্বপুৰুষসকলক পুনৰ্জীৱিত কৰিবলৈ কঠোৰ তপস্যা কৰি, ব্ৰহ্মাক তুষ্ট কৰি, তেওঁৰ সেই পূতপৱিত্ৰ কমণ্ডলুৰপৰা পৱিত্ৰ গংগাজল পোৱাৰ বন্দৱস্ত কৰিলে।

কিন্তু ব্ৰহ্মাৰ কমণ্ডলুৰপৰা ওলোৱা গংগাজলৰ স্ৰোতৰ তীব্ৰতা সহকৰাৰ শক্তি ভূমিৰ নাছিল। একমাথোন শিৱইহে তেওঁৰ জটাত গংগা ধাৰণ কৰিব পাৰে। তেতিয়া ভগীৰথে শিৱক কঠোৰ তপস্যাৰে তুষ্ট কৰি শিৱৰো সানন্দ সন্মতি পোৱা হ'ল।

শিৱই তেওঁৰ জটাত গংগা ধাৰণ কৰাৰ পাছত গংগা ভূমিত পৰিলহি আৰু শংখ বজাই বজাই গৈ থকা ভগীৰথৰ পিছ পিছে গংগা প্ৰবাহিতা হৈ থাকিল আৰু গংগা প্ৰবাহিতা হোৱা অঞ্চলসমূহ শস্যশ্যামলা হৈ উঠিল।

গৈ গৈ ভগীৰথ পাতাললৈ গ'ল আৰু গংগাজলৰ স্পৰ্শ পাই ভস্ম হৈ থকা সগৰৰজাৰ ষাঠিহেজাৰ পুত্ৰ ভগীৰথৰ প্ৰচেষ্টাৰে পুনৰ্জীৱিত হৈ উঠিল।



আমাৰ দেশত গংগাক পৰম পৱিত্ৰ নদীৰূপে গণ্য কৰা হয়। গোমুখ নামৰ ঠাইৰপৰা উৎপন্ন হৈ, গংগোত্ৰীৰ-পৰা প্ৰবাহিত হৈ, হৃষিকেশৰ মাজেদি পৱিত্ৰ গংগা সমলভূমি পাইছেহি।

গংগাতীৰস্থ পুণ্যধামসমূহৰ মাজত হৰিদ্বাৰ, বাৰাণসী আদি হ'ল মুখ্য ঠাই। এই পৱিত্ৰ তীৰ্থক্ষেত্ৰ দুখন সুপ্ৰাচীন কালৰেপৰাই অৱস্থিত।



গংগাৰ তীৰত অৱস্থিত অন্যতম মহানগৰ হ'ল কলিকতা। ইয়াত গংগাক হুগলী নদী নামেৰে অভিহিত কৰা হয়। পশ্চিমবংগৰ মাজেদি প্ৰবাহিত হৈ, পশ্চিমবংগৰ মহাৰণ্য সুন্দৰবনৰ সুগভীৰ অৰণ্যৰ কাষেদি গংগা সাগৰত মিলিত হৈছে।

প্ৰকৃত চিকিৎসক

পুৰন্দৰপুৰৰ ৰজাৰ গাত বগা ওলাল। ৰাজবৈদ্যসকলে ৰজাৰ দেহৰ বগা নোহোৱা কৰিবলৈ নানান ধৰণে বহুতো চেষ্টা কৰিও সম্পূৰ্ণ ব্যৰ্থ হ'ল।

ৰাজধানীৰপৰা বহু দূৰৈত, এখন ঘোকোট গাঁৱত শ্ৰীনিবাস নামৰ এজন বৈদ্য অৰ্থাৎ চিকিৎসক আছিল। অ'ৰ-ত'ৰপৰা তেৰোঁ শুনিলে দেশৰ ৰজাৰ গাত বগা ওলোৱাৰ কথা। শুনি—শ্ৰীনিবাস বৈদ্যই দৰবপাতি লৈ এদিন ৰাজধানীলৈ বুলি ৰাওণা হৈ গ'ল।

*

ৰাজবৈদ্যসকলে শ্ৰীনিবাসক প্ৰশ্ন কৰি গম পালে চিকিৎসাশাস্ত্ৰত এওঁ অতি দক্ষ। তেতিয়া ৰাজবৈদ্যসকলে ভাবিলে ঃ এওঁ যদি সঁচাসঁচিকৈ ৰজাৰ গাত ওলোৱা বগা নোহোৱা কৰিব পাৰে—তেতিয়া আমাক ৰজাই অতি অপদাৰ্থ বুলি ভাবি চাকৰিৰপৰা নেখেদিবনে? —এইবোৰ কথা ভাবি ৰাজবৈদ্যসকলে শ্ৰীনিবাসক ক'লে, "চাওক ডাঙৰীয়া, আমি ইমানবোৰ ৰাজবৈদ্যই মিলি যিটো বেমাৰ ভাল কৰিব নোৱাৰিলোঁ, আপুনি কী জাদু-মন্ত্ৰেৰেনো ভাল কৰিব? নোৱাৰিব। আৰু নোৱাৰে যদি—তেতিয়া আপোনাৰ অপকৰ্মৰ বাবে আমাকে ৰজাই চাকৰিৰপৰা খেদিব। গতিকে—আপুনি ৰজাক ভাল তোলাৰ চেষ্টা এৰি, ঘৰৰ ল'ৰাটো ৰংমনে ঘৰলৈ যাওকগৈ।"

বৈদ্য শ্ৰীনিবাসে একো মাত নামাতি তলমূৰ হৈ ঘৰলৈ উভতি গ'ল। কিন্তু তেওঁ সপ্তাহেপ্ৰতি এদিনকৈ ৰজাক লগ

ৰজত ৰাজখোৱা



ধৰিবলৈ আহি থাকিল। তথাপি ৰাজ-বৈদ্যসকলে শ্ৰীনিবাসক এদিনো ৰজাৰ কাষ চাপিবলৈ নিদিলে।

*

এইদৰে, বহুদিনৰ অন্তত বৈদ্য শ্ৰীনিবাসে এখন ধৰমশালাত গাত বগা ওলোৱা এজত বেমাৰীক লগ পাই সেই বেমাৰীজনক কিছুদিন দৰব খুৱাই সম্পূৰ্ণ ভাল কৰি তুলিলে। ধৰমশালাত থাকি এই অভিনৱ চিকিৎসা সেই ঠাইৰ বহু মানুহে দেখিছিল।

*

এদিন এই ধৰমশালাৰ কাষেদি গৈ থাকোঁতে হঠাৎ সেই বেমাৰী মানুহজনে ৰজাক সাষ্টাংগে প্ৰণাম কৰিলেহি। ৰজাই তেওঁৰ দেহৰক্ষীহঁতক ক'লে,"এই মানুহজন মোৰ অলপ চিনাকি মানুহ। এওঁৰ গাতো বগা ওলাইছিল। কেনেকৈনো ভাল হ'ল এওঁ? কোনে ভাল কৰিলে? এওঁৰ বগা ভাল হ'ল কেনেকৈ সেই কথা জনা প্ৰয়োজন। এওঁক ৰাজপ্ৰাসাদলৈ তুৰন্তে লৈ আহিবা।"

এই মানুহজনক ৰজাৰ ওচৰলৈ লৈ অহা হ'ল। ৰজাৰ প্ৰশ্নৰ উত্তৰত ক'লে যে শ্ৰীনিবাস নামৰ এগৰাকী চিকিৎসকে তেওঁক ভাল কৰি তুলিছে। মানুহজনে শ্ৰীনিবাসৰ গাঁৱৰ ঠিকনাও ৰজাক ক'লে।

*

ৰাতিৰ পৰতে ৰজাই ছদ্মবেশত বৈদ্য শ্ৰীনিবাসৰ ঘৰলৈ গ'ল। শ্ৰীনিবাসে ছদ্মবেশী ৰজাক ভালকৈ পৰীক্ষা কৰাৰ অন্তত দৰবপাতি দিলে। বিছদিনৰ ভিতৰত ৰজা সম্পূৰ্ণ ভাল হৈ উঠিল।

তাৰ পাছত ৰজা পুনৰ গ'ল শ্ৰীনিবাসৰ ঘৰলৈ। তেওঁ এইবাৰো ছদ্মবেশ ধাৰণ কৰি গ'ল। ৰজাই শ্ৰীনিবাসব মাননী, দৰবপাতিৰ দাম আদি দি কৃতজ্ঞতা জনাই বিদায় লোৱাৰ সময়ত হঠাৎ বৈদ্য শ্ৰীনিবাসে ৰজাক ক'লে, "চাওক—এই

বগা ওলোৰা বেমাৰ লাখত এজনৰ হয়। আজিপধ্যে মই মাত্ৰ তিনিজন বেমাৰীক পালোঁ—বগা ওলোৰা বেমাৰীক। আমাৰ দুৰ্ভাগ্য যে দেশৰ ৰজাও এই বগা ওলোৰা বেমাৰেৰে আক্ৰান্ত। কিন্তু ততোধিক দুৰ্ভগীয়া মই—মই ৰজাক ভাল কৰি তুলিবলৈ গৈয়ো বাৰে বাৰে বাধা পাইছোঁ। ৰজাৰ দৰ্শনলাভ যে ইমানেই দুলৰ্ভ—সেই কথামই নাজানিছিলোঁ।"

"কিয়? ৰজাৰ দৰ্শনলাভ দুলৰ্ভ হ'ব কিয়? ৰাজপ্ৰহৰীহঁতক ক'লেই হ'লহেঁতেন।" ৰজাই শ্ৰীনিবাসক ক'লে।

তেতিয়া শ্ৰীনিবাসে ৰাজবৈদ্যসকলে বাৰে বাৰে বাধা দিয়াৰ কথা ছদ্মবেশী ৰজাক বিস্তাৰিতভাৱে ক'লে। ৰাজবৈদ্যসকলৰ এই অন্যায় আচৰণ কথা শুনি ৰজা বিস্মিত হ'ল। তেওঁলোকে যিটো বেমাৰ ভাল কৰিব নোৱাৰিলে, সেই বেমাৰ আন কোনোবা চিকিৎসকে ভাল কৰাতো তেওঁলোকে বাধা দিছিল—এই কথা ভাবি ৰজাৰ উগ্ৰ খং উঠিল। তেওঁ বৈদ্য শ্ৰীনিবাসৰ কথা সম্পুৰ্ণ বিশ্বাস কৰিলে।

ৰজাই তেতিয়াই বৈদ্য শ্ৰীনিবাসক প্ৰধান ৰাজবৈদ্যৰ বাব দিবলৈ মনস্থিৰ কৰি শ্ৰীনিবাসক ক'লে, "মই ছদ্মবেশত আপোনাৰ ওচৰলৈ আহিছিলোঁ চিকিৎসা কৰাবলৈ। ময়েই এই দেশৰ ৰজা।" বিস্মিত শ্ৰীনিবাসৰ বিস্ফাৰিত দৃষ্টিৰ আগত



ছদ্মবেশ সোলোকাই পেলাই ৰজাই ক'লে, "আপোনাক মই প্ৰধান ৰাজবৈদ্যৰ পদ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছোঁ। কালিলৈ আপোনাক সন্মানসহকাৰে ৰাজসভালৈ লৈ যোৱা হ'ব, আৰু আপুনি থাকিব ৰাজকীয় অট্টালিকাত।"

বৈদ্য শ্ৰীনিবাসে নম্ৰতাৰে ৰজাক ক'লে, "মহাৰাজ, অট্টালিকাৰ পৰিৱৰ্তে আমাৰ এই গাঁৱত থাকিহে মই ভাল পাম।"

আচৰিত হৈ ৰজাই সুধিলে, "কিয়? অট্টালিকাত থাকিলে বেয়া পাব কিয়? "মহাৰাজ, ৰাজপ্ৰাসাদত থাকিলে সাধাৰণ ৰাইজে মোৰপৰা আৰু চিকিৎসক নাপায়। মই তেতিয়া কেৱল আপোনালোককহে চোৱা-মেলা কৰিম—।" বৈদ্য শ্ৰীনিবাসে কওঁ-নকওঁকৈয়ো কৈয়েই পেলালে, "মই তেতিয়া কেৱল কেইগৰাকীমানৰ মাজতহে আবদ্ধ হৈ পৰিম, মহাৰাজ।"

শ্ৰীনিবাসৰ কথা মাজত থকা গভীৰ তাৎপৰ্য্য উপলব্ধি কৰি ৰজাই ক'লে, "আপুনি হ'ল প্ৰকৃত চিকিৎসক। আপোনাৰ ৰজা হৈ মই নিজেও বৰ গৌৰৱ বোধ কৰিছোঁ। মই প্ৰতি মাহতে আপোনাৰ নামত যথাযথ পৰিমাণে ধন পঠাম। এই ধনেৰে দেশৰ দুখীয়া ৰাইজৰ বেমাৰ-আজাৰ ভাল কৰি তুলিলেহে মোৰ জীৱন সাৰ্থক বুলি মানিম। মোৰ এই প্ৰস্তাৱত আপুনি সন্মতনে?"

"মহাৰাজ, এই প্ৰস্তাৱতকৈ ভাল প্ৰস্তাব আৰুনো কি হ'ব। মই হাজাৰ চেষ্টাতো এখন দাতব্য চিকিৎসালয় গঠন কৰিব নোৱাৰিলোহেঁতেন। আপোনাৰ এই উদাৰ সাহায্যৰ ফলত মোৰ জীৱন-যোৰা সেই ইচ্ছা পূৰণ হ'ব। মই এই কাৰণে আপোনাৰ ওচৰত ৰাইজৰ হৈ চিৰকৃতজ্ঞ হৈ থাকিম।"

বেমাৰমুক্ত ৰজাই তেতিয়া মুক্ত মনেৰে ৰাজধানীলৈ উভতি গ'ল।





ধৰ্ম্মৰ কথা

কুণ্ডলিনীদেশৰ ৰজা ধৰ্মসত্য আছিল ধাৰ্মিকপুৰুষ। ধৰ্ম আছিল তেওঁৰ ধ্যান-জ্ঞান। বন্ধু-বান্ধৱ মিতিৰ-কুটুম, আনকি নিজৰ জীৱনতকৈয়ো ধৰ্ম আছিল তেওঁৰ ওচৰত গুৰুত্বপূৰ্ণ। ৰজা ধৰ্মসত্যই ধৰ্মদেৱলৈ পূজা আগবঢ়োৱাৰ অন্ততহে দিনৰ কাৰ্য্যাৰম্ভ কৰিছিল।

ৰজা ধৰ্মসত্যৰ পুত্ৰৰ নাম আছিল ধৰ্মনিত্য। বৃদ্ধ বয়সত ৰজা ধৰ্মসত্যই যুৱৰাজ ধৰ্মনিত্যক দেশৰ সিংহাসনাধিষ্ঠিত কৰিবলৈ মন মেলিলে।

যুৱৰাজ ধৰ্মনিত্য ৰজা হোৱাৰ পাছত ধৰ্মসত্য অসুস্থ হৈ পৰিল। তেওঁ পুত্ৰ ধৰ্মনিত্যক ক'লে, "বোপা, ধৰ্মৰক্ষাৰ হেতুকে আমাৰ উপৰিপুৰুষসকলে আনকি প্ৰাণ বিসৰ্জিবলৈকো প্ৰস্তুত আছিল। তেওঁলোকৰ অনুসৃত বাটেৰে বাট বুলিবলৈ গৈ মোৰো জীৱনদীপ নুমাই আহিল। যিকোনো বিপদত ধৰ্মদেৱীয়ে তোমাকো ৰক্ষা কৰিব। তুমি যেতিয়া সমস্যাৰ সমাধান নিজে কৰিব নোৱাৰিবা, তেতিয়া তুমি ধৰ্মদেৱীক খাটিলেই তেওঁ তোমাক সহায় কৰিব।" এই কথাবোৰ কোৱাৰ অন্তত ধৰ্মসত্য স্বৰ্গী হ'ল।

দেউতাকৰ মৃত্যুৰ পাছত, ধৰ্মনিত্যয়ো ন্যায়ধৰ্মৰ বাটেৰে প্ৰজাৰ কল্যাণ সাধন কৰি যথেষ্ট সুখ্যাতি আৰ্জিছিল। এইদৰে বহু বছৰ পাৰ হ'ল। আৰু তাৰ পাছত এদিন ধৰ্মনিত্য ৰজাই ধৰ্মভিত্তিক এক সমস্যাত সাঙোৰ খাই পৰিল।

ধৰ্মনিত্যৰ জীয়েক মালৰিকাই এক নিচেই নগণ্য সামন্তৰজাৰ পুত্ৰৰ প্ৰতি

দেৱনাথ দেউৰী



আকৃষ্ট হ'ল। এদিন মালৱিকাই সেই সামন্তপুত্ৰ মাধৱক বিয়া কৰাবৰ ইচ্ছা প্ৰকাশ কৰিলে দেউতাকৰ ওচৰত।

ধৰ্মনিত্যাই ভাবিলেঃ ৰাজকুঁৱৰী হৈ সামন্তপুত্ৰক বিবাহ? কিয়? আমাৰ বংশৰ কোনেও এই গৰ্হিত কাৰ্য্য কৰা নাছিল। এই কাৰ্য্য কুলাচাৰ-বিৰোধী। আনহাতে, এই কথাত সন্মতি নিদিয়াৰ অৰ্থ হ'ল মালৱিকাক অপাৰ দুঃখ দিয়াহে।

এই সমস্যাৰ সমাধান কেনেকৈ কৰিব চিন্তা কৰি থাকোঁতেই ধৰ্মনিত্যৰ মনত পৰিল দেউতাকৰ সেই কথাষাৰ— ধৰ্মদেৱীয়ে সমস্যাৰ সমাধান কৰি দিব। ধৰ্মনিত্য ধৰ্মদেৱীৰ মন্দিৰলৈ গ'ল আৰু দেৱীক সমস্যাৰ কথা নিবেদন কৰিলে।

চাওঁতে চাওঁতে ধৰ্মদেৱীৰ দেহৰপৰা জ্যোতি ওলাই থাকিল। তাৰ পাছত শুনা গ'ল দেৱীৰ কণ্ঠস্বৰঃ ধৰ্মনিত্য, তুমি প্ৰথমতে পিতৃনে ৰজা?"

"হে মাতৃ! হে দেৱী, সিংহাসনত অধিষ্ঠিত হওঁতে মই আছিলোঁ বিবাহিত। মালৱিকাৰ আছিল নিচেই সৰু কেঁচুৱা।" ধৰ্মনিত্যাই ধৰ্মদেৱীক ক'লে।

"তেনেহ'লে—তুমি মালৱিকাৰ ওচৰত প্ৰথমতে পিতৃ, পাছতহে ৰজা। এতেকে— প্ৰথম কৰ্তব্য তুমি পিতৃ হিচাপেহে কৰিবা। এয়ে হ'ব তোমাৰ ধৰ্ম।" এই কথা কৈয়েই ধৰ্মদেৱী নিশ্চুপ হৈ গ'ল, তেওঁৰ দেহৰপৰা জ্যোতিও নোলাল।

তাৰ পাছত ধৰ্মনিত্যাই মালৱিকাৰ বিয়া সামন্তপুত্ৰৰ সৈতে পাতি দিলে।

এই ঘটনাৰ কিছুদিনৰ অন্তত ধৰ্মনিত্য আন এটা সমস্যাত সাঙোৰ খাই পৰিল। ধৰ্মনিত্যৰ পুত্ৰ ধৰ্মসূত্ৰই তেতিয়া গুৰুৰ ওচৰত থাকি যুদ্ধবিদ্যাৰ চৰ্চা কৰি আছিল। অসতৰ্কতাৰ ফলত ধৰ্মসূত্ৰই তাৰ সহপাঠী এজনৰ হাত তৰোৱালেৰে কাটি পেলালে।

এই ঘটনাৰ পাছত, সেই সহপাঠীৰ দেউতাক বিৰাগ ব্ৰাহ্মণে পৰিপূৰ্ণ ৰাজ-

সভাত সোমাই আহি ৰজা ধৰ্মনিত্যক ক'লে, "মহাৰাজ, মোৰ পুত্ৰ আৰু আপোনাৰ পুত্ৰয়ো যুদ্ধবিদ্যাৰ চৰ্চা কৰে। মোৰ পুত্ৰ যুদ্ধবিদ্যাত পাৰদৰ্শী হৈ উঠাৰ কথা যেতিয়া আপোনাৰ পুত্ৰ তথা যুৱৰাজে বুজি পালে, তেতিয়া যুৱৰাজে তাৰ সোঁ হাতখন কাটি পেলালে। তেওঁৰ সমকক্ষক হৈ উঠা কথা সহিব নোৱাৰিহে যুৱৰাজে এই কাম কৰিলে। প্ৰচলিত মতে—প্ৰতিশোধহে ল'ব লাগে। আপোনালোক বংশ পৰম্পৰাই ধৰ্মৰক্ষক। আশাকৰোঁ, আপুনি আপোনাৰ পুত্ৰৰ সোঁহাতখন কাটি পেলাই, নিৰপেক্ষ বিচাৰ কৰি, ন্যায়ৰ আদৰ্শৰে ধৰ্মৰক্ষা কৰিব।"

ৰজা ধৰ্মনিত্য এক বিৰাট সমস্যাত পৰিল। কেনেকৈ কি কৰিব ভাবি উলিয়াব নোৱাৰি তেওঁ ধৰ্মদেৱীৰ মন্দিৰলৈ গৈ সকলো কথা নিবেদন কৰিলে।

দেৱীয়ে ধৰ্মনিত্যক ক'লে, "ধৰ্মনিত্য আঘাতৰ সলনি আঘাত—কথাষাৰ সত্য। তোমাৰ পুত্ৰই যিখন হাতেৰে বিৰাগৰ পুত্ৰৰ হাতখন কাটি পেলাইছিল, বিৰাগ ব্ৰাহ্মণৰ পুত্ৰয়ো সেইখন হাতেৰেই তোমাৰ পুত্ৰৰ হাত কাটি পেলাব লাগিব। এয়ে প্ৰচলিত ধৰ্ম…।"

পাছদিনা, পৰিপূৰ্ণ ৰাজসভাত ৰজা ধৰ্মনিত্যই ধৰ্মদেৱীয়ে কোৱা কথাবোৰ বিৰাগ ব্ৰাহ্মণক ক'লে। পৰিশেষত তেওঁ



মন্তব্য কৰিলে, "কিন্তু হে ব্ৰাহ্মণ, তোমাৰ পুত্ৰই সোঁহাতেৰে মোৰ পুত্ৰৰ সোঁহাত কাটিব নোৱাৰিব। গতিকে—এই ক্ষেত্ৰত অপৰাধীক দণ্ডদান কৰাৰ প্ৰশ্ন নাই।"

সভাস্থ সকলোটিয়ে হাত-চাপৰি বজাই ৰজা ধৰ্মনিত্যৰ বিচাৰৰ নিৰপেক্ষতাৰ শলাগ ল'লে। ব্ৰাহ্মণে একো নকৈ তলমূৰ হৈ তাৰপৰা গুচি গ'ল।

কুণ্ডলীদেশৰ প্ৰতিবেশী দেশ সুবৰ্ণদেশৰ ৰজাৰ নাম আছিল স্বৰ্ণকান্ত। ৰজা স্বৰ্ণকান্ত আছিল ৰজা ধৰ্মনিত্যৰ বাল্যবন্ধু। তেওঁলোকে—যেতিয়াই সাক্ষাৎ হৈছিল—দবা খেলিছিল। এইবাৰ দবা খেলিবলৈ ধৰোঁতে স্বৰ্ণকান্তই ধৰ্মনিত্যক ক'লে, "এটা কথা কওঁ, বেয়া নাপাবা যেন। খেলাত বাজী নামাৰিলে নজমে।"

ধৰ্মনিত্যই নিজৰ হাতৰ কংকণ উলিয়াই ক'লে, "মোৰ এই কংকণযোৰ বাজী!"

স্বৰ্ণকান্তই হাঁহি ক'লে," শুনা, আমি হ'লোঁ ৰজা, আমি সাধাৰণ মানুহৰ দৰে সৰুসুৰা বস্তুৰে বাজী মাৰিম কিয়? আহাঁ, আমি আমি আমাৰ দেশ দুখনকে বাজী—"

"ময়ো ৰাজী!" ধৰ্মনিত্যই হাঁহি মাৰি টপৰাই কৈ উঠিল।

বহুতোপৰলৈকে দবা খেলাৰ অন্তত ধৰ্মনিত্যই পৰাজয় মানিলে। প্ৰতিশ্ৰুতি অনুসাৰে তেওঁ নিজৰ দেশখন স্বৰ্ণকান্তক গ্ৰহণ কৰিবলৈ ক'লে। কিন্তু স্বৰ্ণকান্তই বন্ধুৰ দেশখন নলয়। তেওঁ ক'লে, "খেলাত আগ্ৰহ সৃষ্টি কৰিবলৈহে মই বাজীৰ কথা কৈছিলোঁ। তোমাৰ দেশ অধিকাৰ কৰাটো মোৰ উদ্দেশ্য নাছিল। আমি পৰস্পৰৰ বন্ধু। আমিয়েই যদি পৰস্পৰৰ দেশ অধিকাৰ কৰোঁ, তেনেহ'লে বন্ধুত্ব থাকিব কেনেকৈ? তেতিয়া আমি দেখোন পৰস্পৰৰ শত্ৰুহে হৈ পৰিম!"

স্বৰ্ণকান্তৰ কথাৰ উত্তৰত ধৰ্মনিত্যই ক'লে, "কিন্তু স্বৰ্ণ, মই কিন্তু হাৰিলে দিমেই—এই উদ্দেশ্য মনত ৰাখিয়েই

বাজী মাৰিছিলোঁ। মই মুখেৰে যি কওঁ, কামতো তাকে কৰোঁ। তুমি অনুগ্ৰহ কৰি মোৰ দেশখন গ্ৰহণ কৰা।"

কিন্তু স্বৰ্ণকান্ত এই প্ৰস্তাৱত সন্মত নহ'ল। অৱশেষত ধৰ্মনিত্য নিজৰ মনতে অশান্তিৰ জুই একুৰা জ্বলোৱা যেন পাই, এই অশান্তি দূৰ কৰিবলৈ, তথা সমস্যাৰ সমাধান কৰিবলৈ ধৰ্মদেৱীক খাটিলেগৈ। ধৰ্মনিত্যই তেওঁৰ লগতে স্বৰ্ণকান্তকো লৈ গৈছিল ধৰ্মদেৱীৰ মন্দিৰলৈ।

ধৰ্মনিত্যৰ আবেদনৰ উত্তৰত ধৰ্মদেৱীয়ে নিজক পোহৰৰ মাজত প্ৰকাশ কৰি ক'লে, "ধৰ্মনিত্য, কুণ্ডলিনীদেশ আনক দিয়াৰ অধিকাৰ তোমাক কোনে দিলে? আৰু স্বৰ্ণকান্তয়ো তোমাৰ দেশখন গ্ৰহণ কৰিব পাৰেনে? দেশ এখন ৰজাৰ নহয়, প্ৰজাৰহে, এই কথাটি সদায় মনত ৰাখিবা। মনত ৰাখিবা, ৰজা হ'ল দেশৰ পালক মাথোন। দেশখন খেলাৰ বাজী হিচাপে গণ্য কৰাৰ আগতে এই কথাষাৰ এবাৰলৈকো ভাবি চাইছিলানে? তোমাৰ অপৰাধ ক্ষমাৰো অযোগ্য। মই এই মুহূৰ্ততে এই দেশ এৰি গুচি গৈছোঁ।"

এই কথা কোৱাৰ লগে লগেই ধৰ্মদেৱীৰ বিগ্ৰহৰ মস্তক তললৈ খহি পৰিল।

এই ঘটনাৰ পাছত বহু কাল পাৰ হ'ল। এতিয়া ৰজা ধৰ্মনিত্য বৃদ্ধ। বৃদ্ধ বয়সত তেওঁ তেওঁৰ পুত্ৰ ধৰ্মসূত্ৰক সিংহাসনত অধিষ্ঠিত কৰি পুত্ৰক ক'লে, "বোপা, তুমি ৰজা হ'লা। কিন্তু দেশখন যে প্ৰজাসৱৰ, সেই কথাটিও কেতিয়াও নাপাহৰিবা। তেতিয়া ধৰ্মদেৱীয়ে তোমাক সদায় ভাল পাব।"

বৃদ্ধ ধৰ্মনিত্যই পাছদিনাই এটি আচৰিত সংবাদ পালে যে, ধৰ্মদেৱীৰ বিগ্ৰহ ঠিক আগৰ দৰে হৈ পৰিছে। এই দৃশ্য দেখি ধৰ্মনিত্য অতি আনন্দিত হ'ল আৰু ধৰ্মদেৱীলৈ সাষ্টাংগে প্ৰণাম কৰিলে।



খঁৰা ধুন

ৰবিৰ লগত সবিতা বিয়াখন হৈ গ'ল। শহুৰেকে বোৱাৰী সবিতাক ক'লে, "শুনা, তোমাৰ শাহুআয়েৰা কিন্তু বৰ বদ্‌মেজাজী। তেওঁৰ খং উঠিলে তুমি মনে মনে থাকিবা। তেতিয়া তেওঁ তোমাক যি কৰিবলৈ ক'ব, তুমি 'হয়' বুলি ক'বা। মনত ৰাখিবা, তেওঁৰ খং একেবাৰে চণ্ডাল।"

শহুৰেকৰ কথাতো সবিতাই 'হয়' কৰিলে, যদিও কিয় যে 'হয়' কৰিলে, সবিতাই বৰ ভালকৈ বুজি নাপালে। পিছে—কিবা এটা ক'ব লাগিব বুলিহে 'হয়' বুলি কৈ দিলে।

সবিতাই ঘৰৰ কাম-বনখিনি ঠিকমতে কৰিছিল। তথাপি শাহুৰকে সূৰ্য্যলতাই ইটোৰ পাছত সিটোকৈ কাম কৰিবলৈ কৈছিল। বিয়াৰ তিনিদিনৰ দিনা শাহুৰেকে বোৱাৰী সবিতাক কুঁৱাৰপৰা পানী লৈ আহিবলৈ ক'লে। অলপ পলম হোৱাত শাহুৰেকে চিৎকাৰ কৰি সবিতাক ক'লে, "একলহ পানী আনোতেই যদি ইমান পৰ, বাদবাকী কামখিনি কেতিয়া কেনেকৈ কৰিবানো? ইমান কাছখুজীয়া হ'লে নহ'ব কৈছোঁ।"

শাহুৰেকৰ চিঞৰ শুনি সবিতা ভয়তে কঁপি থাকিল আৰু তাৰ ফলত তাইৰ মূৰত থকা পানীৰ কলহটো তললৈ বাগৰি পৰিল।

সূৰ্য্যলতাই পিতলৰ কলহটো মাটিৰপৰা হাতত দাঙি লৈ চিঞৰি ক'লে, "তুমি ইমানেই কুলক্ষণীয়া যে প্ৰথমদিনাই কলহটো ভাঙি পেলালা! কিছু দিনৰ পাছত এই সংসাৰখনৰ যে কেনে দশা হ'ব ভাবি দেখোন মই কঁপি উঠিছোঁ।"

নয়নমণি দেৱী



শাহুৰেকৰ কথা শুনি সবিতাই কঁপি থাকিল। শহুৰেক জয়চন্দ্ৰই ক'লেহি সূৰ্য্যলতাক, "আৰু একো নক'বাচোন তাইক। তাই ভয়তে কঁপিছে।"

দুপৰীয়া, ভাত খোৱাৰ সময়ত সবিতাই ঘিউঁ দিওঁতে শাহুৰেক সূৰ্য্যলতাই চিংকাৰ কৰি কৈ উঠিল, "তোমাক কিমান দিন কৈছে মই বো'ৱী, যে ঘিউঁ অলপ তপতাইহে মোৰ পাতত দিবা, কোনো কথা তোমৰ কাণত নোসোমায়নেকি? কাণৰ মলি গুচাই লোৱা!"

শাহুৰেকেডবিউৰাত সবিতাৰ হাতৰপৰা ঘিউঁৰ বাটিটো পৰি গ'ল। সবিতাৰ অৱস্থা দেখি শহুৰেকে তেওঁৰ ঘৈণীয়েক সূৰ্য্যলতাক ক'লে, "এস! বেচেৰীক আৰু একো নক'বাচোন!"

সেইদিনাই গধূলিৰ আগে আগে সবিতাই পানী আনিবলৈ গ'ল কুঁৱালৈ। পিছে পিছে শাহুৰেক সূৰ্য্যলতাও গৈ থাকিল। সূৰ্য্যলতাই কুঁৱাৰ ওচৰত থিয় হৈ চিঞৰি চিঞৰি সবিতাক কৈ থাকিল, বো'ৱী, তোমাৰ মূৰত পোক সোমালনে কি? চৌকাত ভাত বহাই পানী নিবলৈ আহিছা—সিপিনে ভাত যে পুৰি এঙাৰ হৈ গ'ল! তোমাৰ মগজুত কিবা গোবৰ আছেনেকি কোৱাচোন!"

শাহুৰেকৰপৰা ধমক খাই সবিতাৰ হাতৰপৰা বাল্‌টিটো কুঁৱাৰ ভিতৰত পৰি গ'ল। বাল্‌টিটো অৱশ্যে গিৰিয়েক ৰবিয়ে কুঁৱাৰপৰা উঠাই দিলেহি।

পাছদিনা শাহুৰেকৰপৰা ককৰ্থনা শুনাৰ লগে লগে এলোটা গাখীৰ সবিতাৰ হাতৰপৰা পৰি গ'ল। ঠিক তেতিয়াই শহুৰেক জয়চন্দ্ৰ তালৈ আহিল আৰু কৈ উঠিল, "এস্! এনেকৈ সদায় সৰ্বনাশ কৰি থাকিলে কেনেকৈ চলিব? তুমি সদায় এটা নহ'য় এটা বস্তু অ'ত ত'ত পেলায়েই আছা দেখোন!"

সবিতাই তাইৰ শহুৰেকক কলে,

"দেউতা, মোক কোনোবাই গালি পাৰি কিবা কৈ থাকিলে মোৰ হাত-ভৰি কঁপে আৰু হাতত থকা সকলো বস্তু পৰি যায়!"

জয়চন্দ্ৰই সবিতাৰ কথা শুনি সূৰ্য্যলতাক ক'লে, "চোৱাঁ, তুমি যেতিয়াই চিঞৰ-বাখৰ কৰাঁ, তাইৰ হাতৰপৰা বস্তু পৰি যায়। তুমি এইবোৰ বন্ধ কৰিলেহে কিজানি কথা ভাল হ'ব।"

পাছদিনা চুবুৰীয়া তৰুলতা আহিল সূৰ্য্যলতাৰ ওচৰলৈ। ইকথা-সিকথাৰ অন্তত সবিতাৰ কথা ওলাল। সূৰ্য্যলতাই তেওঁৰ বোৱাৰী সবিতাৰ কথা তৰুলতাক বিবৰি কোৱাৰ অন্তত মন্তব্য কৰিলে, "এয়া হ'ল মোৰ কপাল! তাইক কিবা এষাৰ কোৱাৰ লগে লগে তাইৰ হাত কঁপিব, ভৰি নাচিব, হাতৰপৰা বস্তু-বাহানি পৰি যাব, নষ্ট হ'ব।"

সকলো কথা শুনাৰ অন্তত তৰুলতাই সূৰ্য্যলতাক ক'লে, "বিয়াৰ পাছত প্ৰথম অৱস্থাত এনেবোৰ কাণ্ড নোহোৱা নহয়, হয়। ইমান কাম কৰাৰ অভ্যাসেই কিজানি তাইৰ নাছিল, বা এনেকৈ ডাবি-ধমকিও খোৱা নাছিল। এটা কাম কৰক, ডাবি-ধমকি দিয়াটো বন্ধ কৰি চাওকেইচোন—কিবা ফল হয়নেকি। সদায় খঙা-ধুনে কাম নহ'য়।"

সূৰ্য্যলতাই তৰুলতাৰ কথা শুনি সবিতাক একো নোকোৱা হ'ল। তাৰ ফলত, ঘৰৰ কাম-বন ঠিক ঠিককৈ হোৱাৰ উপৰিও কোনো বস্তু-বাহানি নষ্ট নহ'ল। সূৰ্য্যলতাৰ পৰিৱৰ্তন দেখি গিৰিয়েক জয়চন্দ্ৰয়ো স্বস্তিৰ উশাহ পেলালে।

আচলতে—সবিতা আছিল বৰ চতুৰ ছোৱালী। তাইৰ শাহুৱেকৰ খং যিমান চৰিছিল, তায়ো তাইৰ হাত-ভৰি সিমানেই বেছিকৈ কঁপোৱাৰ অভিনয় কৰিছিল। এই অভিনয় কথা তাইৰ বাহিৰে কেৱল গিৰিয়েক ৰবিয়েহে জানিছিল।



শিৱ-পুৰাণ

৭

ধুমধামৰে সৈতে শিৱ-পাৰ্বতীৰ বিয়া হৈ গ'ল। ইতিমধ্যে তাৰকাসুৰে বিভিন্ন দেৱতাৰ ওপৰত অত্যাচাৰ চলাই থাকিল। দেৱতাসকলে জৰ্জৰিত হৈ ব্ৰহ্মাক ক'লেগৈ, "হে ব্ৰহ্মা, তোমাৰ বৰপ্ৰাপ্ত তাৰকাসুৰৰ অত্যাচাৰত জুৰুলা হৈছোঁ। তাৰ মৃত্যু নোহোৱালৈকে আমাৰ শান্তি নাই।"

তেওঁলোকৰ কাতৰ প্ৰাৰ্থনা শুনি ব্ৰহ্মাই ক'লে, "মই যে তাৰকক অসাধাৰণ বৰ দিলোঁ, সেই কথাত সন্দেহ নাই। লোকৰ উপকাৰাৰ্থেহে মই বৰ দান কৰোঁ। সেই বৰ লাভকৰি কোনোবা কোনোবাই সীমাহীন অত্যাচাৰ আৰম্ভ কৰি দিয়ে। তেতিয়া অত্যাচাৰীক মাৰি পেলাব লাগে। তাৰকৰ ক্ষেত্ৰত—বিষ্ণুৰ সৈতে পৰামৰ্শ কৰিব পাৰিলেহে ভাল হ'ব।"

তাৰ পাছত, সকলোটি মিলি বিষ্ণুৰ কায চাপিল। তেওঁক কোৱা হ'ল তাৰকসুৰৰ অত্যাচাৰৰ কথা। সকলো কথা শুনাৰ অন্তত বিষ্ণুৱে ক'লে, "পাৰ্বতী-পৰমেশ্বৰৰ বিবাহ হৈ গ'ল। পাৰ্বতীৰ গৰ্ভৰপৰা ওপজা সন্তানে তোমালোকৰ কষ্ট দূৰ কৰিব।"

দেৱতাসকলে বিষ্ণুক ক'লে, "শিৱ-পাৰ্বতীৰ বিবাহ হোৱাৰ পাছতো বহু কাল উকলিল। তেওঁলোকৰ কোনোশিৱৰ পুত্ৰসন্তান নোপজিল। আমাৰ লগত শিৱৰ ওচৰলৈ ব'লা—এয়ে আমাৰ প্ৰাৰ্থনা।"

'কুমাৰসম্ভৱ'

দেৱতাসকলৰ লগ লাগি অতঃপৰ বিষ্ণু কৈলাসলৈ গ'ল। শিৱ-পাৰ্বতী তেতিয়া মহাসৌধত বিশ্ৰামৰত। বিষ্ণুৱে শিৱৰ সহচৰ নন্দীশ্বৰক ক'লেগৈ, "নন্দীশ্বৰ, আমি শিৱৰ সৈতে সাক্ষাৎ কৰিম।"

"তেওঁলোক এই মহাসৌধৰ ভিতৰত আছে। কাৰোবাক ভিতৰলৈ যাবলৈ নিদিয়াৰ বাবে মোক টানি আদেশ দিয়া হৈছে। এতেকে—মই আপোনালোকক ফিৰাই দিম। মোক ক্ষমা কৰক।" নন্দীশ্বৰে সবিনয়ে ক'লে।

তেতিয়া বিষ্ণুৱে দেৱতাসকলক ক'লে, "তোমালোকে এটা কাম কৰাঁ, ইয়াতে এটা শিৱলিংগ সাজি লৈ শিৱ-পঞ্চাক্ষৰী মন্ত্ৰ জপ কৰাঁ। তেতিয়া বাধ্যত পৰি ওলাই আহি শিৱই দৰ্শন দিবহি।"

বিষ্ণুৰ পৰামৰ্শ অনুসাৰে দেৱতাসকলে এটি লিংগ সাজি শিৱ-পঞ্চাক্ষৰী মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। আৰু অৱশেষত শিৱ বিশ্ৰামকক্ষৰপৰা ওলাই আহিল আৰু মহাসৌধৰ বাহিৰত অপেক্ষমান দেৱতাসকলক সুধিলে, "হে দেৱতাসকল, হঠাৎ—মোৰ নাম জপ কৰি ইমান হৈ হুলস্থুল লগোৱাৰ প্ৰয়োজন কি?"

ব্ৰহ্মা, বিষ্ণু প্ৰমুখ দেৱতাই শিৱক ক'লে, "হে ঈশ্বৰ, তাৰকাসুৰক বধ কৰিবলৈ তোমাৰ সন্তানক লাগে। তাৰ কাৰণেহে আমি তোমাৰ কাষ চাপিছোঁ। তাৰকাসুৰে

তিনিও লোকতে অনেককাল ধৰি অকথ্য অত্যাচাৰ চলাই আছে। অন্যান্যৰ তো কথাই নাই, আনকি দেৱতাসকলৰ অস্তিত্বো বিপদাপন্ন হৈ পৰিছে। তাৰকাসুৰক যদি অবিলম্বে বধ কৰা সম্ভৱ নহয়, তেনেহ'লে অৱস্থা বিষম হৈ উঠিব।"

ব্ৰহ্মাৰ সৈতে অসংখ্য দেৱতাৰ সনিৰ্বন্ধ অনুৰোধত শিৱই তেওঁৰ দেহৰ অংশৰপৰা বৃশ্চিক লগ্নত এটি সন্তানৰ সৃষ্টি কৰিলে। বজ্ৰদেহী এই সন্তানটিক বায়ুদেৱে দাঙি লৈ গ'ল গংগাৰ ওচৰলৈ। সন্তানটিক গংগাৰ তীৰত থৈ দিয়াৰ পাছত তালৈ ছগৰাকী ঋষি-পত্নী আহিল। এই সন্তাটিৰ আছিল ছখন মুখ। সন্তানটিয়ে তাৰ ছখন মুখেৰে ছগৰাকী ঋষিপত্নীৰ বুকুৰ স্তন্য পান কৰি থাকিল। স্তন্যপান কৰোৱাৰ পাছত প্ৰতিগৰাকী সন্তানটিক নিজৰ ঋষিপত্নীয়ে সন্তানৰ দৰে ভাবিবলৈ ধৰিলে।

এই শিশু-সন্তানটিৰ আছিল ছখন মুখ আৰু বাৰখন হাত। চাৰিওফালে এই বজ্ৰদেহী শিশুটিৰ কথা বিয়পি পৰিল। প্ৰচাৰিত হ'ল যে অগ্নিহোত্ৰৰ কাৰণে ছগৰাকী ঋষিপত্নীৰ মাধ্যমেৰে এই শিশুৰ জন্ম হৈছে।

এই কথা শুনি মহাঋষিসকল তেওঁলোকৰ পত্নীসকলৰ ওপৰত মহাক্ৰুদ্ধ হৈ উঠিল আৰু পৰিবাৰবৰ্গক ত্যাগ কৰিবলৈ উদ্যত হ'ল। তেতিয়া স্বহাদেৱীয়ে

ঋষিগণক ক'লেহি, "তোমালোকৰ পত্নী-সকলৰ একো দোষ নাই, দোষী মইহে। মোৰ দোষতে তোমালোকৰ পত্নীসকল গৰ্ভৱতী হৈছিল আৰু গংগাৰ তীৰত এই ছমুখীয়া শিশুৰ জন্ম হ'ল।"

কিন্তু স্বহাদেৱীৰ কথালৈ মুনিগণে ভ্ৰূক্ষেপো নকৰিলে। তেওঁলোকে ক'লে, "লোকনিন্দাই এই যুক্তি নুশুনে।" তেওঁলোকে পত্নীসকলক ত্যাগ কৰিলে।

তাৰ পাছত ব্ৰহ্মা গংগাৰ তীৰলৈ গ'ল আৰু শিশুটিৰ সোঁৱৰণী প্ৰস্তুত কৰি তাৰ নামকৰণ কৰিলে। শিশুটিৰ নাম হ'ল কাৰ্তিক। পৰৱৰ্তীকালত কাৰ্তিকৰ স্কন্দ, ষড়ানন আদি অন্য নামকৰণো হৈছিল।

শিশুটি ডাঙৰ-দীঘল হোৱাৰ পাছত ছগৰাকী ঋষিপত্নীয়ে তাক ক'লে, "বোপা কাৰ্তিক, আমাৰ স্বামীসকলে আমাক ত্যাগ কৰিলে। এতিয়া আমাৰ কি হ'ব? আমি ক'ত কেনেকৈ থাকিম?"

"মই তোমালোকৰ পুত্ৰ, তোমালোক মোৰ মা। তোমালোক মোৰ ওচৰতে থাকি জীৱন কটাবা। সন্তানক এৰি তোমালোকেইবা থাকিবা কেনেকৈ?

কাৰ্তিক দিনে দিনে ডাঙৰ-দীঘল হৈ থাকিল। পাহাৰৰ ওপৰত তেওঁ খেলা কৰিছিল। আৰু তেওঁৰ খেলাৰ লগৰীয়া আছিল বাঘ আৰু সিংহ। তেওঁ সিহঁতৰ পিঠিত উঠি ঘূৰি ফুৰিছিল। কাৰ্তিকে শিৱৰ ধনু-কাঁড় পাইছিল। তেওঁ কঁড়িয়াই ক্ৰৌঞ্চপৰ্বতক টুকুৰা-টুকুৰ কৰি পেলালে। এই বিৰাট ক্ৰৌঞ্চপৰ্বতৰ ওপৰত বাস কৰিছিল ৰাক্ষসহঁত। কাৰ্তিকৰ এই কাৰ্য্যত ক্ৰুদ্ধ হৈ ৰাক্ষসহঁত যুদ্ধ কৰিবলৈ আগবাঢ়িল। কিন্তু কাৰ্তিকে অতি সহজেই ৰাক্ষসহঁতক মাৰি পেলালে।

ইতিমধ্যে শিৱ-পাৰ্বতীৰ একৈছজন সন্তান উপজিল। এই একৈছ সন্তানে একৈছখন অঞ্চলত আধিপত্য কৰি থাকিল।

শিৱৰ নিৰ্দেশ মতে নন্দীশ্বৰে ব্ৰহ্মা,

ইন্দ্র প্রমুখ দেৱতাসকলক লগত লৈ, গংগাতীৰৰপৰা কাৰ্তিকক কৈলাসলৈ লৈ আহিবলৈ গ'ল। কাৰ্তিকে তেওঁৰ ছগৰাকী জননীক লৈ পুষ্পকৰথত উঠি কৈলাসলৈ গ'ল। শিৱ আৰু পাৰ্বতীয়ে কাৰ্তিকক বৰণ কৰি কাষত বহুৱালে।

তেতিয়া ব্ৰহ্মাই কাৰ্তিকক ক'লে, "হে পাৰ্বতী-পৰমেশ্বৰ, আজি কাৰ্তিক কৈলাসলৈ আহিল। কালিলৈ কাৰ্তিকক সেনাপতিৰ পদত অভিৰিক্ত কৰা হওক। এয়ে মোৰ প্ৰস্তাৱ। তাত উপস্থিত থকা প্ৰত্যেকেই ব্ৰহ্মাৰ প্ৰস্তাৱলৈ সানন্দে সম্মতি জ্ঞাপন কৰিলে। তাৰ পাছত কাৰ্তিকৰ উপনয়ন অনুষ্ঠিত হ'ল, আৰু উপনয়নৰ অন্তত স্বয়ং ব্ৰহ্মাৰ পৌৰহিত্যত কাৰ্তিকক দেৱ-সেনাপতিৰ পদত অভিষিক্ত কৰা হ'ল।

তেতিয়া শিৱ আৰু পাৰ্বতীয়ে কাৰ্তিকক সস্নেহে ক'লে, "বোপা কাৰ্তিক, তুমি এতিয়া হ'লা দেৱতাসকলৰ সেনাপতি। গতিকে—দেৱেন্দ্ৰৰ কথা মতে চলিবা। সন্তহতে তিনিও লোক বিপদাপন্ন। এই তিনিও লোকক বিপদৰপৰা উদ্ধাৰ কৰিবা। দুষ্টক দমন কৰা তোমাৰ কৰ্তব্য। অত্যাচাৰীক বধ কৰিলেহে তোমাৰ খ্যাতি দশোদিশে বিয়পি পৰিব।"

কাৰ্তিকৰ থকাৰ বাবে স্বৰ্গত প্ৰাসাদ নিৰ্মাণৰ দায়িত্ব পৰিল স্বয়ং বিশ্বকৰ্মাৰ ওপৰত। পাৰ্বতীয়ে কাৰ্তিকক ক'লে, "বোপা, বিশ্বকৰ্মাই সাজি দিয়া প্ৰাসাদত তুমি ৰংমনে থাকাঁগৈ।" পাৰ্বতীয়ে কাৰ্তিকক শক্তিৰ আধাৰ দিলে। অন্যান্য দেৱতাই বিভিন্ন ধৰণৰ অস্ত্ৰ দি তাৰকাসুৰক বধ কৰিবলৈ কাৰ্তিকক খাটিলে।

কাৰ্তিকে শিৱ-পাৰ্বতী আৰু ব্ৰহ্মা, বিষ্ণু, ইন্দ্ৰ প্ৰমুখকো প্ৰণাম কৰি তাৰকাসুৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰি বিশ্বকৰ্মা-নিৰ্মিত প্ৰাসাদলৈ প্ৰবেশ কৰিলে।

কাৰ্তিকৰ এই প্ৰতিশ্ৰুতিৰ কথা শুনি

থাকিল, "হে মহামহেশ্বৰ! মই চিৰকাল ধৰি তোমাকেই পূজা কৰি আহিছোঁ, তুমি বিনে মোৰ তো আন নাই, এতিয়া, তুমি মোক মহাবিপদৰপৰা উদ্ধাৰ কৰাঁ, প্ৰভু!"

ইপিনে কার্তিকে তেওঁৰ অনুচৰ দেৱ, ৰুদ্ৰ, বীৰভদ্ৰ আৰু অন্যান্যৰ সৈতে তাৰকাসুৰৰ বিৰুদ্ধে ৰণভেৰী বজাই যুদ্ধযাত্ৰা কৰিলে।

ইন্দ্ৰ প্ৰমুখক লগত লৈ শোণিতপুৰলৈ গৈ কার্তিকে তম্বু তৰিলে। তম্বুৰ ভিতৰত বহি কার্তিকে সকলোটিক ক'লে, "যিকোনো যুদ্ধৰ আগতে সন্ধিৰ প্ৰস্তাব দিয়াটো ৰীতি। এই বিষয়ে আপোনা-লোকৰ মতা-মতনো কি?"

তাৰকাসুৰ অবাক হ'ল। তাৰকাসুৰ তেতিয়া শোণিতপুৰত আছিল। শিৱৰ ঔৰসজাত কার্তিকক যে তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ বিভিন্নভাৱে প্ৰস্তুত কৰা হৈছে সেই কথা জানিব পাৰি তাৰকাসুৰ হতবাক হ'ল। তেওঁ তেওঁৰ সেনাপতি আৰু মন্ত্ৰীবৰ্গক ক'লে, "আমি যিকোনো মুহূর্ততে আক্ৰান্ত হ'ব পাৰোঁ। কার্তিকক প্ৰতিৰোধ কৰিবলৈ তোমালোকতে তিনিও লোকতে প্ৰস্তুতি লোৱা।"

শিৱভক্ত তাৰকাসুৰে স্বহস্তে শিৱলিংগ সাজি লৈ যথোচিত উপচাৰেৰে শিৱলৈ পূজা আগবঢ়াই শিৱৰ উদ্দেশ্যে কৈ

কার্তিকৰ প্ৰস্তাৱত সকলোটি সন্মত হোৱাত কার্তিকে তেওঁৰ বক্ষস্থলজাত বিশাখাক ক'লে, "বিশাখা, সন্ধিৰ প্ৰস্তাৱ লৈ তুমি তাৰকাসুৰৰ ওচৰলৈ যোৱা।"

বিশাখাৰ কথা শুনি তাৰকসুৰে বিশাখাক সন্মানৰে বহিবলৈ দিলে আৰু ক'লে, "কার্তিকৰ লগত মোৰ বিৰোধ নাই, দেৱতাহঁতৰহে মই বিৰোধী।"

বিশাখাই ক'লে, "হে তাৰকাসুৰ, বহুকাল ধৰি তুমি তিনিও লোক শাসন কৰি আছা। তোমাৰ শাসনকালত কোনো সুখী হোৱা নাই। যি কি নহওক,


Sankar

এতিয়া, তুমি ইন্দ্ৰক সকলো শাসন ক্ষমতা সমৰ্পণ কৰি ভোগৱতীপুৰলৈ গুচি যোৱা। তুমি স্বেচ্ছাই এই কাম নকৰা যদি, কাৰ্তিকে তোমাক বধ কৰি ইন্দ্ৰৰ হাতত এই ক্ষমতা অৰ্পণ কৰিব। তোমাক এই কথা ক'বলৈহে মই তেওঁলোকৰ হৈ ইয়ালৈ আহিছোঁ।"

বিশাখাৰ কথাত অতিপাত ক্ৰুদ্ধ হৈ তাৰকাসুৰে কৈ উঠিল, "কাৰোবাৰ ভীতি-প্ৰদৰ্শনৰ আগত মই মূৰ নোদোঁৱাওঁ। তেওঁলোকক প্ৰস্তুত থাকিবলৈ কোৱাঁগৈ, তেওঁলোকৰ মনে খোজা মতে ৰণ দিম।"

* * *

পাছদিনা, সূৰ্য্যোদয়ৰ লগে লগে তাৰকাসুৰ আৰু কাৰ্তিকৰ সৈন্যবাহিনী মুখামুখি হ'ল। তাৰকসুৰৰ হৈ ৰাণাসুৰ, প্ৰলম্বাসুৰ, জম্বাসুৰ, অতীবল, শম্ভাসুৰ, কুম্বাসুৰ, ৰাক্ষস বীৰগণ আৰু কাৰ্তিকৰ হৈ বীৰভদ্ৰ, অগ্নিহোত্ৰ ধৰ্ম, সূৰ্য্য, চন্দ্ৰ প্ৰমুখ দেৱতাসকলে পূৰ্ণোদ্যমে যুদ্ধ কৰিবলৈ বীৰ বিক্ৰমৰে সাজু হ'ল।

বহু দিন ধৰি যুদ্ধ চলি থাকিল। কিন্তু তাৰকাসুৰক কাৰ্তিকে পৰাজিত কৰিব নোৱাৰিলে। দেৱতাসকলৰ মাজত হতশাৰ ভাৱ জাগিল। যেতিয়া দেৱতা-সকল একেবাৰে ভগ্নমনোৰথ হৈ পৰিল, কাৰ্তিকে তেতিয়া পাশুপতাস্ত্ৰ প্ৰয়োগ কৰিলে। একেলগে অসংখ্য বজ্ৰপাতৰ দৰে পৰি সেই অস্ত্ৰই তাৰকাসুৰৰ সৈন্যবাহিনীক ছেদভেদ কৰি পেলালে। তাৰকাসুৰৰ সৈন্যহঁতৰ ওপৰত যেনিবা একেলগে সহস্ৰ সহস্ৰ বজ্ৰপাত হ'ল। ৰাক্ষসবাহিনীৰ মাজত ত্ৰাসৰ সঞ্চাৰ হ'ল। ঘটনাস্থলতে অসংখ্য ৰাক্ষস নিহত হ'ল। কিছুমান ৰাক্ষসে ফেটীৰ মূৰ ছিঙা লৰ দি যুদ্ধস্থলৰপৰা পলাই সাৰিলে। কিছুমান বীৰ ৰাক্ষস জীৱনৰ শেষ মুহূৰ্তলৈকে যুদ্ধ কৰি পুৰি ভস্ম হৈ গ'ল।



কপালৰ আঁক

বাছৰা নগৰত আজীৰ নামৰ এজন যুৱক ব্যৱসায়ী আছিল। আজীৰ কেৱল ধনী ব্যৱসায়ী নাছিল, তেওঁ আছিল এজন সৎ, সত্যবাদী, পৰোপকাৰী মানুহ। সহায় বিচাৰি যোৱা কোনো মানুহ কেতিয়াও আজীৰৰ ঘৰৰপৰা শুদা হাতেৰে উভতিবলগা নহৈছিল। এইবোৰ নানান কাৰণতে আজীৰ আছিল লোকপ্ৰিয়।

আজীৰৰ চুবুৰীয়া ছৈয়দ। ছৈয়দো ব্যৱসায়ী। কিন্তু সি আছিল চকু চৰহা। দোপতদোপে আজীৰৰ ব্যৱসায়ৰ সমৃদ্ধিলৈ লক্ষ্য কৰি, হিংসাৰ জুইত জ্বলি-পুৰি থাকিল ছৈয়দ। একেই কাম, অথচ তাৰনো ইমান নাম! অতি অন্যায় কথা। মানুহে কিয়নো তাৰ নাম নল'ব! এইবোৰ কথা দিনৰ পাছত দিন ধৰি ভাবি ভাবি, এদিন অতি অসুস্থ হৈ ছৈয়দে পাটী ল'লে।

এদিন ছৈয়দৰ বিবিয়ে আজীৰক ক'লেহি, "আপোনাৰ ব্যৱসায়ৰ সমৃদ্ধি, খ্যাতি তথা জনপ্ৰিয়তালৈ লক্ষ্য কৰি, মোৰ মৰদ (স্বামী) নৰিয়াপাটীত পৰিল। তেওঁক যে কেনেকৈ সুস্থ কৰি তুলিম, ভাবি পোৱা নাই।" এই বুলি কৈ তাই কান্দিবলৈ ধৰিলে।

দয়ালু আজীৰে ক'লে, "তুমি ইমান ভাগি নপৰিবা। মই কি কৰিব পাৰোঁ চাওঁ।" এই বুলি কৈ, ভৰসা দি, তাইক ঘৰলৈ ওভোতাই পঠালে।

আজীৰে ভাবি থাকিল ঃ মোৰ সম্পদ আৰু খ্যাতিৰ কাৰণে যদি প্ৰতিবেশী অসুস্থ হৈ পৰে, সেই সম্পদ আৰু খ্যাতি নথকাই ভাল। —এই কথা ভাবি ভাবি,

ৰাতি নৌপুৰাওঁতেই আজীৰে ঘৰ এৰি ওলাই গুচি গ'ল।

পুৰাৰপৰা গধূলিলৈকে খোজ কাঢ়ি কাঢ়ি ক্লান্ত হৈ আজীৰে এটা নাদৰ কাষত বহি পৰিল। তাতেই তাৰ ৰাতিও পুৱাল। ৰাতিপুৱা, সেই বাটেদি গৈ থকা কেইজনমান বেপাৰীয়ে আজীৰক তাত তেনেকৈ পৰি থকা দেখি তৰধ মানিলে। তেওঁলোকে ক্ষুধাৰ্ত আজীৰক ৰুটি, খেজুৰ আৰু পানী খুৱালে। তাৰ পাছত আজীৰক সুধিলে, "আজীৰ, কথানো কি? তুমি এইদৰে ইয়াত পৰি আছাহি কিয়? কি হ'ল তোমাৰ?"

"মোৰ জীৱনৰ প্ৰতি আকৰ্ষণ নাই। মই আৰু বেহা-বেপাৰো নকৰোঁ।" আজীৰৰ মুখৰপৰা এই আজব কথা শুনি বেপাৰীহঁত ভেবাচেকা খাই গ'ল। তাৰ পাছত তেওঁলোকে বহু ধৰণৰ বুজনি দি-ও যেতিয়া আজীৰক ঘৰমুৱা কৰিব নোৱাৰিলে তেতিয়া তেওঁলোকে কৰ্তব্য হিচাপে, আজীৰক চোৱা-মেলাৰ কাৰণে দুজনক মানুহক নিযুক্ত কৰিলে, আৰু বাছৰালৈ গৈ থাকোঁতে বাটে বাটে প্ৰচাৰ কৰি থাকিল যে নাদৰ কাষত এগৰাকী মহাত্মা বহি আছে।

এই কথা প্ৰচাৰ হোৱাৰ ফলত দলে দলে মানুহ-মুনিহ নাদৰ কাষত বহি থকা আজীৰৰ মুখৰ কথা শুনিবলৈ দূৰ-দূৰণিৰ পৰা আহি থাকিল। আজীৰে প্ৰতিজনক সৎ পৰামৰ্শ দিছিল, সান্ত্বনাৰ বাণী শুনাইছিল। হাজাৰ হাজাৰ মানুহ-মুনিহ আজীৰৰ ভক্ত হৈ পৰিল। সেই ভক্ত সকলে আজীৰৰ কাৰণে এটা কুটীৰ সাজি দিলে। কিছুদিনৰ ভিতৰত আজীৰৰ খ্যাতি সকলোতে বিয়পি পৰিল।

আজীৰে ঘৰ-দুৱাৰ এৰি গুচি যোৱাৰ কথা শুনি ছৈয়দে বেছ ভালেই পাইছিল; কিন্তু তাৰ পাছত মহাত্মা হোৱাৰ কথা শুনি, হিংসাত ডেই-পুৰি, কথানো কি স্বচক্ষে

চাবলৈ ছৈয়দ আজীৰৰ ওচৰলৈ গ'ল।

ছৈয়দে মানুহৰ ভিৰ ফালি আজীৰৰ কাষ চাপিল আৰু গুন-গুনকৈ আজীৰক ক'লে, "আপোনাক কথা এটা সুধিম বুলি ভাবিহে ইয়ালৈ আহিছোঁ—পিছে আন কোনেও নুশুনাকৈ সুধিম।"

এই কথা শুনি আজীৰে তেওঁৰ ভক্তসকলক তাৰপৰা গুচি যাবলৈ ক'লে।

তেতিয়া ছৈয়দে আজীৰক ক'লে, "প্ৰভু, মোক আপুনি কিজানি এতিয়া আৰু চিনি নাপাব। মই আপোনাৰ চুবুৰীয়া সেই ছৈয়দ। আপোনাক এটা গুৰুত্বপূৰ্ণ কথা ক'বলৈহে ইয়ালৈ আহিছোঁ। পিছে—ইয়াত নকওঁ। মোৰ লগত যদি অলপ আঁতৰলৈ যায়—ক'ব পাৰোঁ।"

আজীৰ সন্মত হোৱাত ছৈয়দে আজীৰক এক নিৰ্জন ঠাইলৈ লৈ গ'ল আৰু তাত হঠাৎ ছৈয়দে আজীৰক এটা কুঁৱাৰ ভিতৰলৈ ঠেলি বগৰাই পেলালে।

এই কুঁৱাৰ ভিতৰত আছিল জল দেৱতাসকল। জলদেৱতাসকলে আজীৰক কুঁৱাৰ পানীৰপৰা ওপৰলৈ তুলি আনিলে আৰু ক'লে, "তোমাক আমাৰ মাজত পাই আমি আনন্দিত। কালিলৈ দেশৰ ছুলতান ইয়ালৈ আহিব তোমাক বিচাৰি।"

"কিয় !" আজীৰে অবাক হৈ সুধিলে।

"ছাহজাদীৰ গাত হেনো জিন (ভূত) লম্ভিছে। বহু চেষ্টা কৰিও সেই জিনক খেদিব নোৱাৰিলে। এতিয়া তোমাৰ মাহাত্ম্যৰ কথা শুনি ছুলতানে তোমাক বিচাৰি আহিব।" জলদেৱতা এজনে, ক'লে, "তোমাৰ কোনো চিন্তা নাই। তোমাৰ ওচৰত থকা ক'লা মেকুৰীজনীৰ গাৰ নোম এডাল ছিঙি লৈ, জুইৰে পুৰি ছাহজাদীৰ নাকৰ ওচৰত দাঙি ধৰিলেই হ'ল, জিন বপুৰা তৎক্ষণাৎ তাৰপৰা দৌৰি পলাব।" জলদেৱতাসকলে হাঁহি মাৰি ক'লে আজীৰক।

পাছদিনা, আজীৰ উভতি গ'ল

তেওঁৰ কুটীৰলৈ। তাত তেতিয়া মানুহৰ খদমদম। চাওঁতে চাওঁতে দলে-বলে ছুলতানো তাত উপস্থিত হ'লহি। ছুলতানৰপৰা সকলো কথা শুনাৰ পাছত আজীৰে ছাহজাদীক লৈ আহিবলৈ ক'লে। ছাহজাদীক আজীৰৰ ওচৰলৈ লৈ অহা হ'ল। আজীৰে মেকুৰীৰ নোম জুইৰে পুৰি ছাহজাদীৰ নাকৰ ওচৰতে দাঙি ধৰিলে পোৰা নোমডাল। পোৰা নোমৰ গোন্ধ শুঙিলে ছাহজাদীয়ে, আৰু লগে লগে বহাৰপৰা বাগৰি পৰি পুনৰ উঠি বহিল আৰু দেউতাকলৈ চাই অতি স্বাভাৱিকভাৱে মিঠাকৈ হাঁহিলে। ছাহজাদী যে সম্পূৰ্ণ সুস্থ হ'ল—ছুলতানে সেই কথা বুজি পালে।

তেতিয়া ছুলতানে কৈ উঠিল, "এই মহাত্মাক যে মই কিহেৰে সন্মানিত কৰিম ভাবি পোৱা নাই।"

"মহামান্য ছুলতান, আপোনাৰ ঘোষণা অনুসাৰে যিজনে ছাহজাদীক সুস্থ কৰি তুলিব তেওঁৰ লগত ছাহজাদীৰ ছাদী পাতিবহে লাগে।" মন্ত্ৰীয়ে কথাটো ছুলতান সোঁৱৰাই দিলে।

তাৰ পাছত আজীৰৰ লগত ছাহজাদীৰ বিয়া বৰ ধুমধামেৰে হৈ গ'ল। বিয়াৰ কিছুদিনৰ অন্তত ছুলতানৰ ইন্তকাল (মৃত্যু) হ'ল। তেতিয়া আজীৰ হ'ল বাছৰাৰ মহামান্য ছুলতান।

আৰু লগে লগে, আজীৰ ছুলতান হোৱাৰ কথা শুনাৰ লগে লগে, চকু চৰহা ছৈয়দ ধুম-বলিয়া হৈ গ'ল।

এদিন ছুলতান আজীৰে বলিয়া ছৈয়দক বাটত বলিয়ালি কৰি থকা অৱস্থাত দেখা পাই ছৈয়দৰ চিকিৎসাৰ বাবে আদেশ দিলে। কিছুদিনৰ পাছত ছৈয়দ ভাল হৈ উঠিল। তেতিয়া ছুলতান আজীৰে ছৈয়দক এক সহস্ৰ সোণৰ মুদ্ৰা দি, ঘৰলৈ উভতি যাবলৈ ক'লে।

আৰ্কটিক সাগৰৰ ছীলমাছ

আৰ্কটিক বা উত্তৰমেৰুৰ সাগৰৰ বৰফৰ ওপৰত নাচি-বাগি ফুৰা ছীলমাছৰ নিমজ হালধীয়া বা প্ৰায় সোণবৰণীয়া দেহবিলাক যেতিয়া বেলিৰ কিৰণেৰে উজ্জ্বল উজলি উঠে, তেতিয়া সিঁহতৰ অসহায় মুখ আৰু মুকুতাৰ দৰে জলমলাই থকা চকুযুৰি দেখাত অপূৰ্ব হৈ উঠে।

কিন্তু মাৰ্চ মাহৰপৰা এপ্ৰিল মাহৰ ভিতৰত ওপজা ছীলমাছবিলাক সাতদিনমানহে জীয়াই থাকিব পাৰে। সিঁহত ওপজাৰ এক সপ্তাহৰ ভিতৰত সিঁহতৰ গাৰ বৰণ মুকুতা হেন হৈ উঠে, আৰু ঠিক তেতিয়াই চিকাৰীহঁতে সিঁহতক মাৰি পেলায়। এই শিশু ছীলবিলাকৰ অপূৰ্ব সুন্দৰ চামৰাৰে ধনী পৰিয়ালৰ মহিলাসকলে কোটচোলা বনাই পিন্ধে।

এই শতিকাৰ আৰম্ভণীতে এই অঞ্চলত বিছ মিলিয়ন (এক মিলিয়ন = দহলক্ষ) ছীলমাছ আছিল। এতিয়া ইহঁতৰ সংখ্যা এক মিলিয়নতকৈ বেছি নহ'ব। চিকাৰীহঁতৰ অত্যাচাৰত অহা দহবছৰৰ ভিতৰত উত্তৰমেৰুৰ এই অঞ্চল ছীলমাছবিহীন হৈ পৰিব পাৰে—'গ্ৰীন পীচ' সংস্থাৰ সদস্যসকলে এই আশংকা প্ৰকাশ কৰিছে। শিশু ছীলক চিকাৰ নকৰাৰ বাবে আৱশ্যকীয় আইন যুগুত কৰিবলৈ এই সন্থাই চৰকাৰলৈ অনুৰোধ জনাইছে।

ছীলমাছৰ একো একোটা আনকি চাৰিটন ওজনৰো হোৱা দেখা যায়। এইবিলাকক 'হাতী-ছীল' বুলি ক'ব পাৰি। ইহঁতৰ উচ্চতা ছমিটাৰলৈকো হয়। ইহঁতে মাছ, কেঁকোৰা আদি খায়। ইহঁতৰ কাণ অত্যন্ত চুটি; কিন্তু শ্ৰৱণশক্তি অতি প্ৰখৰ। ইহঁতে পানীৰ তলৰপৰা ওপৰলৈ উঠি আহি উশাহ লয়—আৰু পুনৰ পানীৰ তললৈ গুচি যায়। পানীৰ ভিতৰতহে ইহঁত শক্তিমান। মাটিৰ ওপৰত ইহঁত বৰ অসহায়।



ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ নভেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ ছেপটেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মৰমৰ এনাজৰী দ্বিতীয় ফটো : দুয়োকো ৰাখিছে ধৰি

পুৰস্কাৰ পাওঁতা : মিতালী ভৰালী. শুৱালকুছি, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। ইউৰেনছাং ২। চালুক্যবংশ ৩। আলাউদ্দীন খলজী ৪। চৌধ্য বছৰ
৫। শ্বাহজী ভোঁছলে।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying of adopting them in any manner will be dealt with according to law.

যোগদান কৰক

পপিন্স 'স্পেল-এ-প্ৰাইজ' কনটেষ্টে

যোগদান ফ'ৰ্ম

FILL THIS COUPON IN ENGLISH ONLY.

নাম : ______

ঠিকনা : ______

______ পিন ______

বয়স: ______ জন্ম তাৰিখ: ______

মোৰ লৰা-ছোৱালী আৰু মই প্ৰতিযোগিতাৰ সকলো নিয়ম মানি চলিম।

১. শব্দ বা শব্দবোৰ ইয়াত আঠা লগোৱা। প্ৰতিটো ঘৰত মাত্ৰ এটা অখৰ বহুৱাবা, তুমি বনোৱা শব্দ বা শব্দবোৰৰ বাবে। তুমি যদি PARLE POPPINS লিখা তেন্তে PARLE আৰু POPPINS ৰ মাজত এটা ঘৰ এৰিবা।

২. পাৰ্লে প্পিনচ'ৰ ঢাকনি খনত আৰু ইয়াৰ বাহিৰ অংশত চাঁব আঁকিবলৈ ক্ৰেয়নচ বা ৰঙিন পেঞ্চিল ব্যৱহাৰ কৰিবা।

অভিভাৱকৰ স্বাক্ষৰ

বিজয়ী হওক

১ ম পুৰস্কাৰঃ
আমেৰিকা আৰু জাপানৰ ডিজনিলেণ্ডলৈ এটা চফৰ।

[redacted] টা ২ য় পুৰস্কাৰঃ
আকৰ্ষণীয় স্পোৰ্টচ্ বাইচাইকেল।

[redacted] টা আগতীয়া অংশগ্ৰহণকাৰীলৈ পুৰস্কাৰ প্ৰতি সপ্তাহতঃ
সুন্দৰ ডিজিটেল ঘড়ী।

অত্যাধিক খবৰ আৰু যোগদানৰ ফৰ্ম'ৰ বাবে তোমাৰ ওচৰৰ দোকানত খবৰ কৰা।

খৰখেদা কৰক!
প্ৰতিযোগিতাৰ শেষ তাৰিখ
৩০ই ছেপ্টেম্বৰ ১৯৮৫

তোমাৰ যোগদান ফৰ্ম পঠোৱা :
দি পপিনচ স্পেল-এ-প্ৰাইজ কন্টেষ্ট
পোষ্ট বক্স নং ৮২৭৩
বোম্বাই-৪০০ ০৪৯

everest/85/PP/356-asm

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

NEW!

POWER PACKED SURF

…ন পাৱাৰ পেকড চাৰ্ফ ।
…টো কণা শক্তিৰে ভৰা, প্ৰস্তুত হৈছে
…ও অধিক শক্তিশালী ফৰ্মূলাৰে যাৰ ফলত
…াৰ অধিকতৰ বগা হৈ পৰে, সকলোবোৰ
…পোৰ জলমলীয়া কৰি তোলে ।

…ড কাপোৰ সদায় নিৰাপদে ৰাখে যাতে ইয়াৰ
…তুন থাকে । প্ৰতিটো কামিজ, প্ৰতিখন চাদৰ
…নিকা পৰিষ্কাৰ, এনে বগা – ঠিক যেন নতুন ।
…পেকড ধোৱন !

…পৰি ! নতুন পাৱাৰ পেকড চাৰ্ফত আছে এক
…তুন সুবাস আৰু পোৱা যাব সেখনীয়াৰ নতুন পেকত ।
…ম নকৰিব, আজিয়েই কিনি আনক পাৱাৰ পেকড চাৰ্ফ ।

…ৰ ধোৱন সবাতোকৈ বগা... কাপোৰ দেখাত সদায় নতুন ।

…2117 AS

হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন

“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ হোৱা ভৰ্তি আজি।”

-ফেভি ফেইৰী

লৰা-ছোৱালীৰ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহৎ
হাত বহি গৈ শেষত হ'বগৈ
এজন ডাঙৰ [illegible]!
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ম'হ, গাহৰি, ঘোঁৰা, হাতী,
বাঘ আৰু কওঁনো কি!
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লাগে
জোৰা হয় বস্তু কঠিন
টিকেও বহু বেছি দিন।
নিৰ্ভুল হৈ ৰয় চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

খেলনা গঢ়িব কেনেকৈ খাপে খাপে তৈয়াৰ কৰিব,
সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন
পঠিয়াওক বা এই ঠিকনাত যোগাযোগ কৰক:
ফেভি ফেইৰী পোঃ বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

এম-আৰ
ফেভিকল
ছিন্থেটিক এধেছিভ

উত্তম বস্তু গঢ়িবলৈ হ'লে উত্তম বস্তুৰেই জোৰা দিব লাগে!

(Ch)

OBM-5672 ASM